চান্দমামা

ডিছেমবাৰ ১৯৮৮

everest/86/PP/413-as



এখন ৱাল্ট ডিজনী বা

টিংকল কমিক - মাত্ৰ ১ টকাত!

কোলগেট
ফ্লোৰিগাৰ্ড টুথপেস্টৰ
যিকোনো পেকৰ সৈতে।

শীঘ্ৰেই সংগ্ৰহ কৰকহি!

কমিক পোৱা যায় ইংৰাজী, হিন্দি আৰু বঙালী ভাষাত।
এই সুযোগৰ অবিহনেও পেক পোৱা যায়। এই সুযোগ
পশ্চিম বঙ্গ, উৰিষ্যা, বিহাৰ আৰু অসমতহে মুকলি থাকিব।

© Walt Disney Productions.

Rediffusion/CP/5573 c AM

চান্দমামা

ডিচেম্বৰ ১৯৮৮

এই সংখ্যাত আছে

সম্বাদ-বি-সম্বাদ	:	৯	৮-অৰ ৰং	:	৩৯
ভাৰতীয়াৰ আও-ভাও	:	১০	কৃষ্ণাৰতাৰ	:	৪৩
পদুম পাতৰ পানী	:	১১	জাতু কথা	:	৫১
নিমিল মানুহ	:	১৭	সাহস যাৰ জগত তাৰ	:	৫৪
স্বৰ্ণ-উপত্যকা	:	১৯	পাণ্ডিত্যৰ পুজা	:	৫৮
শেষ ভালেই ভাল	:	২৭	জলকীয়া	:	৬০
মণি-মঞ্জৰী-২	:	৩৫	প্ৰকৃতিৰ বিস্ময়	:	৬৩

চান্দমামা

খনে: ৩·০০ টকা মাথোন

বছৰেকীয়া বৰঙণি

৩৬·০০ টকা মাথোন

CHANDAMAMA

It unfolds the glory of India—both past and present—through stories, month after month.

Spread over 64 pages teeming with colourful illustrations, the magazine presents an exciting selection of tales from mythology, legends, historical episodes, glimpses of great lives, creative stories of today and knowledge that matters.

In 11 languages and in Sanskrit too.

Address your subscription enquiries to:

DOLTON AGENCIES 188 N.S.K. ROAD MADRAS-600 026

"CRIPPLE"

The word can maim a child for life.

Imagine not being able to race your best friend. Imagine not having a best friend. Imagine being struck by Poliomyelitis before you even know the word. Or what it means. And be called a "cripple" for life.

Every year, Poliomyelitis or Polio strikes 275,000 children in India. In rural India, 1 in every 150—200 surviving newborn is in danger of developing polio unless urgent preventive measures are taken. And, while you read this, there are 1.6 million polio-stricken children in the country, most of them handicapped for life. If only they had been immunized... in time.

PolioPlus
The Rotarian Relief Programme

Rotary International has embarked on a world-wide immunization programme called PolioPlus. Through this programme, Rotary will provide all polio vaccines necessary for upto 5 consecutive years, for children in countries around the world.

Plus immunization against common childhood diseases like measles, diphtheria, tuberculosis, tetanus and whooping cough—diseases which take 3.5 million young lives in the developing world, every year.

PolioPlus
A Rotary International Campaign
TO IMMUNIZE THE CHILDREN OF THE WORLD

Cut and mail to :
Chairman
POLIOPLUS CAMPAIGN TRUST
128, Golf Links
New Delhi-110 003.

Here's what You Can Do

YES, WE WISH TO SUPPORT THE POLIOPLUS CAMPAIGN TRUST
We enclose our Cheque/Draft of Rs. ....
Name ....
....
Designation ....
....
Company Address ....
....
Phone No. ....

Cheques/Drafts should be drawn in favour of POLIOPLUS CAMPAIGN TRUST payable in Bombay, Contributions are exempted from income tax under section 80 (G) of the Income Tax Act, 1961.

CMP

"YOU HAVE NOT DONE ENOUGH AS LONG AS YOU ARE CAPABLE OF DOING MORE." ***ACT NOW.***

A CHANDAMAMA PUBLICATION

চান্দমামা

সংস্থাপক * * * সঞ্চালক

চক্রপাণি * বি নাগিৰেড্ডি

'চান্দমামা'ৰ পাতত আপোনালোকক বিভিন্ন ৰংগাল কাহিনী তথা ৰহস্য-ৰোমাঞ্চপূৰ্ণ গল্প ক'বলৈ আমি যিমান আনন্দ পাওঁ, 'চান্দমামা'ৰ মূল্যবৃদ্ধিৰ কথা কোৱাত আমি সিমানেই নিৰানন্দ হওঁ। 'চান্দমামা'ৰ মূল্য বৃদ্ধি নকৰাবলৈ আমি সততে সচেষ্ট, কিয়নো, 'চান্দমামা' আমাৰ লাভ'ৰ বস্তু নহয়, মৰমৰ। কথাষাৰ বিশ্বাস কৰিব পাৰে। তথাপি, কাগজৰ মূল্য আৰু সমগ্ৰ মুদ্ৰণ শিল্পৰ মূল্যৰ অভাৱিত বৃদ্ধিয়ে আমাক বিপাকত পেলায়, আৰু তেতিয়া মূল্য বৃদ্ধিৰ বিনে আমি উপায় নোহোৱা হওঁ। এইপৰিপ্ৰেক্ষিতত, ১৯৮৮ চনৰ নৱেম্বৰৰ সংখ্যাৰপৰা 'চান্দমামা'ৰ প্ৰতি সংখ্যাৰ বেচ ৩.০০ টকাকৈ ধাৰ্য্য কৰা হৈছে। পঢ়ুৱৈ-সমাজে আমালৈ যিসুস্থ সহযোগিতা আগবঢ়াইছে, তাৰ বাবে অকুণ্ঠ ধন্যবাদ।

অমৰ-বাণী

পৰাচঃ কামানন্বয়ন্তি বালাস্তে মৃত্যোৰ্য়ন্তি বিততস্য পাশম্।
অথধীৰা অমৃতত্বং বিদিত্বা ধ্ৰুবমধ্ৰুবেষ্বিহ ন প্ৰাৰ্থয়ন্তে॥

[অল্পতুষ্টজনে সদায় অলপৰ বাবেই লৰা-ধপৰা লগায় আৰু সততে সেই জালত পৰি মৰে। কিন্তু ধীৰ-স্থিৰজনে সদা-সৰ্বক্ষণ কেৱল পৱিত্ৰ শাশ্বত আনন্দলৈহে বৈ থাকে।]

বছৰ : ১৩ ডিছেম্বৰ ১৯৮৮ সংখ্যা : ৯

খনে : ৩.০০ টকা : : বছৰেকীয়া বৰঙণি : ৩৬.০০ টকা

LCD GAME SERIES

DRAMATIC TECHNOLOGY **CASIO**

THRILLS! SPILLS! ADVENTURE!

Realistic, exciting sound effects!

CG-410
GUERRILLA WARFARE

CG-420
WESTERN SHERIFF

CG-430
JET STAR

CG-128
LOVELY ANGEL

CG-129
CROCODILE PANIC

CG-130A
RABBIT FARM

For further information and contact

India : **Thakral Computers (P) Ltd.**
117/118, Dalamal Tower, 211, Nariman Point, Bombay-400 021. Tel : 2871340, 232104. Telex : 011-2937

Singapore : **THAKRAL EMPORIUM (S) PTE. LTD.**
77 High Street # 01-06, High Street Plaza, Singapore 0617
Tel : 3379338 (8 lines) Telex : THAKRAL RS 23684

Hong Kong : **ONFLO MARKETING CO., LTD.,**
2/F Hotel Miramar, 118-130 Nathan Road,
Tsim Sha Tsui Kowloon Hong Kong
Tel : 3-7967131 Fax : (852)-3-7968917
Tlx : 55858 ONFLO HX Cable : ONFLOTRON HONG KONG

Nepal : **RAINBOW PHOTO-FINISHERS PTE. LTD.**
Gopalral Purushotamlal P.O.Box 772 Kathmandu, Nepal
Tel off. 2-24589, 2-24074 Tlx. 2339 GRPL NP

U.A.E. : **JUMBO ELECTRONICS CO.LTD.**
Jumbo House P.O. Box 3426 Dubai
Tel : 422555 (15 lines) Telex : 45845 JECOL EM

Saudi Arabia : **MAHMOOD SALEH ABBAR CO.**
Head Office Jeddah - Saudi Arabia - P.O. Box 461-JEDDAH 21411
Tel : 6512764/6512788 Telex : 601790 ABARJD SJ

Oman : **ARABIAN CAR MARKETING CO., LTD.**
P.O. 4305 RUWI Sultanate of Oman Tel 793741 To 50 Telex 3585 BAHWAN ON

CASIO COMPUTER CO., LTD.
Tokyo, Japan

চাঁদমামাৰ সম্বাদ-বি-সম্বাদ

কাৰ ভৰিৰ সাঁচ?

এক বৃটিছ অভিযানকাৰী দলে হিমালয় পৰ্বতত কিম্বদন্তীমূলক 'য়েতি' নামৰ কিবা এটা প্ৰাণীৰ ভৰিৰ বিৰাট সাঁচ দেখা পাইছিল, এই দলৰ মুখপাত্ৰগৰাকীয়ে কৈছিল. "নেপালৰ অধিবাসীসকল য়েতিৰ অস্তিত্বত বিশ্বাসী। য়েতি হেনো অতি বিস্ময়কৰ প্ৰাণী। যদিও অদ্যাপি আমি কোনেও য়েতিক স্বশৰীৰে দেখা নাই, তথাপি কিছু সত্য নিশ্চয় আছে!"

তবলা-তবল্ দিনে-নিশা!

আলিগড়ৰ চন্দন চাটাৰ্জিয়ে ছেদ-ভেদ নোহোৱাকৈ একেৰাহে ২৫ ঘণ্টা তবল বজাই এক বিশ্ব-ৰেকৰ্ড কৰিলে।



কুগীয়া-ভুগীয়া স্ফিংক্স!

স্ফিংক্স নামৰ কল্পিত দানৱ—যাৰ মুখ তিৰোতাৰ দৰে আৰু দেহ সিংহৰ দৰে, ৪,৬০০ বছৰ ধৰি মিছৰদেশৰ ৰাজধানী কাইৰ'ৰ অনতিদূৰত পিৰামিডৰ ওচৰত অৱস্থিত, সেই স্ফিংক্স বেমাৰত পৰিছে। এই মূৰ্তিৰ বিভিন্ন ঠাই ফাটি-উলৰি গৈছে আৰু চিকিৎসাৰ বাবে বিৰাট উদ্যোগ লোৱা হৈছে।

পকনীয়া!

অষ্ট্ৰেলিয়াৰ ছিড্নি-নিবাসী কুমাৰী কোট্টিয়ে সৰু নাও এখনত উঠি, অকলশৰে, ৬২,০০০ কিল'মিটাৰ পাক দি আহিল! নাৱেৰে এই পৃথিৱী-পৰিভ্ৰমণত কুমাৰী কোট্টিয়ে ১৮৯ দিন সময় লৈছিল, আৰু নাও বাই পৃথিৱীখন পাক দি অহা মহিলা—এই পৃথিৱীত তেৱেঁই প্ৰথম!



ভাৱৰীয়াৰ আও-ভাও

দুৰ্বাসাৰ ভাও দিয়াৰ বাবে যোগ্য এজনক বিচৰা হৈছে—এই খবৰ পাই পাঁচজন 'যোগ্য' প্ৰাৰ্থী আহিল। নাটকৰ দলৰ কৰ্মকৰ্তা এজন সেই পাঁচজনক ক'লে, "আমাৰ দলৰ বৰমূৰীয়া অলপ কামলৈ ওলাইছে, এতিয়াই পাবহি তেওঁ। আপোনালোক বহক।"

নাটকৰ দলৰ বৰমূৰীয়াৰ নাম আদিনাৰায়ণ। এঘণ্টাৰ পাছত আদিনাৰায়ণ আহিল। আহিয়েই বৈ থকা প্ৰাৰ্থীকেইজনলৈ চাই ক'লে, "তোমালোকে নাটকৰ চৰিত্ৰত ভাও দিয়া কথাটোক কি বুলি ভাবিছাহে? ধোদৰ পচলাইতেই যোগ্য ভাৱৰীয়া হ'বনে কি?" এই কথা শুনি, পাঁচজনৰ মাজৰপৰা চাৰিজনেই তলমূৰ হৈ গুচি গ'ল। কিন্তু এজন নগ'ল।

গুচি নোযোৱাজনৰ নাম শ্ৰীহৰি। শ্ৰীহৰিয়ে আদিনাৰায়ণক ক'লে, "যেতিয়া আমাক আহিবলৈ কোৱা হৈছিল, তেতিয়াই আহিছিলোঁ। আপোনাৰ সময়ৰ দাম আছে, মোৰো। নিজেই অন্যায়ভাৱে পলম কৰাৰ বাবে ক্ষমা প্ৰাৰ্থনা নকৰি আমাকহে কদৰ্থনা কৰিছেনে!"

আদিনাৰায়ণে হাঁহি মাৰি ক'লে, "চোৱা, মই বহু দিনেৰেপৰাই নাট-ভাওনা কৰি আছোঁ। ভাৱৰীয়া বাছি উলিওৱাৰ অভিজ্ঞতা মোৰ আছে। পাঁচজনৰ মাজত দুৰ্বাসৰ-মেজাজ তথা আও-ভাও কেৱল তোমাৰ মাজতহে আছে। এই ভাও তুমি দিবা।



পদুমপাতৰ পানী

মাউৰা কালিদাসে গাঁৱৰ ৰাইজৰ ইটো-সিটো কাম-বন কৰি পেট প্ৰৱৰ্তাইছিল।

কালিদাসহঁতৰ গাঁৱত ফটা নামৰ এটা গুণ্ডা আছিল। ফটাই কেও-কিছু নোহোৱা কালিদাসক মনে-চিতে ভাল পাইছিল। ফটাই কালিদাসক লাঠি-খেলৰ নানান কিটিপ-কায়দা শিকালে। হঠাৎ ক'ৰবাত বহুত মানুহে আগুৰি ধৰিলেও যে কেনেকৈ লাঠি ঘূৰাই মানুহৰ ভিৰ ফালি, ওলাই অ.হিব পাৰি তাকো শিকাই দিলে। ফটাই যেতিয়া তাৰ লাঠিডাল শূন্যত ঘূৰাইছিল, তেতিয়া লাঠি ঘুৰাই থকা মানুহজনকহে মানুহে দেখা পাইছিল লাঠিডাল দেখাকে নাপাইছিল।

দিন বাগৰাৰ লগে লগে কালিদাসৰ বয়সেও বাগৰ সলালে। কালিদাস এতিয়া চফল ডেকা। কিন্তু—মনত ইচ্ছা হোৱা সত্বেও কালিদাসে বিয়া কৰাব নোৱাৰিলে। গাঁৱৰ কোনেও তাৰ নিচিনা কেও-কিছু নথকাক ছোৱালী নিদিয়ে। চুৰি-তাৰি নকৰি সজ বাটেৰে খাটি খোৱা কালিদাসে বিয়াৰ কথাতহে ঘাটি খালে।

কালিদাসহঁতৰ থকা গাঁও শিৱপুৰৰ জমিদাৰ মহানন্দই জীয়েকৰ বিয়াত ঢেৰ আ-অলংকাৰ দিছিল। কিন্তু—এই কথাটি ভাবি জমিদাৰ মহানন্দৰ সকলো আনন্দ প্ৰায় নাইকিয়া হ'ল যে, ছোৱালীক শহুৰ-ঘৰলৈ পঠাওঁতেই এইবোৰ-ইমানবোৰ অলংকাৰ নাইকিয়া হ'ব পাৰে দুয়োখন গাঁৱৰ মাজত থকা অটব্য অৰণ্যৰ দুৰ্দ্ধৰ্ষ ডকাইতবিলাকৰ কবলত পাৰি।

গাঁওবুঢ়াই জমিদাৰ মহানন্দক ক'লে,

"আপুনি ইমান দুঃচিন্তিত হ'ব নালাগে। তাই শহুৰ-ঘৰলৈ নিৰাপদেই যাব পাৰিব। কিয়নো—আপোনাৰ পৰীয়া-ধৰীয়াবোৰ থকাৰ উপৰিও—কালিদাস থাকিবই নহয়? তাৰ লাঠিৰ আগত কোন বেটা ডকাইতনো তিষ্ঠিব? ইমান তাগজ কাৰো নহ'ব। এতিয়া আনকি নামকৰা নামকৰা ডকাইত-বিলাকেও তাৰপৰা লাঠি-খেল শিকিছে।"

কিন্তু জমিদাৰে যি আশংকা কৰিছিল সেয়ে হ'ল। হাবিৰপৰা দহ-বাৰটামান ডকাইতে জমিদাৰৰ জীয়েকক চাৰিওফালৰ-পৰা আগুৰি ধৰিলেহি। ডকাইতবিলাকৰ মাৰুক মূৰ্তি দেখি চূৰ্তি হেৰাই জমিদাৰৰ পৰীয়া-ধৰীয়াহঁত ফেটিৰ মূৰ ছিঙা লৰ দি পলাল। কিন্তু মাত্ৰ এজন অসমসাহসী তাত থাকিল। তাৰ নাম কালিদাস। সি প্ৰচণ্ড বিক্ৰমৰে লাঠি ঘূৰাই ডকাইতবিলাকক নাস্তানাবুদ কৰি তুলিলে। তাৰ লাঠিৰ আগত তিষ্ঠিব নোৱাৰি ডকাইতবিলাকেও থৰ-কাছুটি হেৰুৱাই ফৰিং ছিটিকা দিলে।

জমিদাৰ-কন্যাই নিৰাপদে শহুৰ-গৃহ পালেগৈ। তাৰ পাছত কালিদাস পুনৰ নিজৰ গাঁৱলৈ উভতি আহিল। গাঁওবুঢ়াই কালিদাসক ক'লে, "এতিয়া—তোমাৰ খবৰেই গাঁৱৰ সৰৰ ডাঙৰ খবৰ। জমিদাৰে তোমাৰ নগদে-নগদ শলাগ ল'ব।"

গাঁওবুঢ়াৰ কথা শুনি কালিদাসৰ মনত আশাই হেন্দোলি উঠিল। কিন্তু জমিদাৰে তেওঁৰ কামকৰা মানুহ এজনৰ যোগেদি কালিদাসলৈ চাৰিটা মুদ্ৰা পঠালে মাথোন। চাৰিটা মুদ্ৰাক চাৰিপাত চৰ যেন লাগিল তাৰ। তেতিয়া কালিদাসে মনতে শপত খালে যে সি আৰু কদাপি কাৰো উপকাৰ নকৰিব।

এই ঘটনাৰ কিছু দিনৰ পাছত এদিন ৰাতিৰ পৰতে এজন মানুহে কালিদাসক ক'লেহি, "মোক তুমি চিনি পাইছানে? বিজুলীগতিৰে লাঠি ঘূৰাই যিটো ডকাইত-দলক কুকুৰ খেদোৱাদি খেদি পঠাইছিলা,

ময়ো সেই দলৰে এটা। তোমাৰ বিজুলী-লাঠিৰ মাৰ ময়ো খাইছিলোঁ। তোমাৰ নিচিনা গুণী মানুহ এজন কিয় এনেয়ে পৰি থাকিবা? আমাৰ দলত যোগ দিয়াহি। আমি লুটপাট কৰি যি পাম, তোমাক তাৰ পাঁচ ভাগৰ এভাগ দিম।'

ডকাইতৰ দলত যোগ দিয়াত কালিদাসে তৎমুহূর্ততে সন্মতি জনালে।

এদিন অৰণ্যৰ বাটেদি গৈ থকা যাত্রী এদলক বাট ভেটি ধৰি কালিদাসে বজ্রকণ্ঠেৰে ক'লে, "যাৰ যি আছে, এতিয়াই উলিয়াই দিয়া। নহ'লে মৰিবা!"

যাত্রীইঁতৰ মাজত থকা বৃদ্ধপ্রায় মানুহ এজনে কান্দি কান্দি কালিদাসক ক'লে, "বোপা, এই মোনাটোত এশ মোহৰ আছে। কিন্তু এই মোহৰখিনি যদি দিওঁ, মোৰ ছোৱালীজনীৰ বিয়া আৰু জীৱনকালতো পাতিব নোৱাৰিম!"

বৃদ্ধৰ কথা শুনি কালিদাসৰ মন কুমলিল। সি তাৰ লগৰীয়া ডকাইত-বিলাকক ক'লে, "চোৰাঁ, অন্ততঃপক্ষে এই বুঢ়াৰ মোহৰখিনি আমি নলওঁ।"

তেতিয়া ডকাইতদলৰ চৰ্দাৰে কালিদাসক ক'লে, "ঠিক আছে, তুমি যি ক'বা সেয়ে হ'ব। পিছে—আজিৰপৰা তোমাক আৰু দলত নলওঁ। আমাৰ

কামতো তুমি হকা-বধা নকৰিবা, তোমাৰ কামতো আমি কোনো হকা-বধা নকৰোঁ।"

যাত্রীদলে বিৰাট বিপদৰপৰা মুক্তি পাই কালিদাসক প্রণাম কৰিলে। বৃদ্ধ মানুহজনে ক'লে, "বোপা, তোমাৰ উপকাৰৰ কথা জীৱনৰ বাকী কালছোৱা মই আৰু পাহৰিব নোৱাৰিম। তোমাক ডকাইত বুলি ভবা টান।"

তেতিয়া কালিদাসেও তাৰ নিজৰ প্ৰকৃত চিনাকি দিলে, আৰু সেই অশলাগী জমিদাৰ মহানন্দৰ কথাটোও বহলাই ক'লে।

সকলো শুনি বৃদ্ধই কালিদাসক ক'লে, "তথাপি কওঁ—'কাৰো উপকাৰ নকৰোঁ'

—তোমাৰ এই চিন্তাধাৰা ভুল। প্ৰকৃত ভাল মানুহক সকলোৱে সদায় চিনি উলিয়াব নোৱাৰে। কিন্তু তাৰে উপকাৰী ভাল মানুহৰ কোনো অনিষ্ট নহয়। যি নহওক—মই ৰজাৰ চাকৰিয়াল। এজন সৎ মানুহ হিচাপে ৰজাই মোক ভাল পায়। তুমি মোক ৰাজধানীত লগ ধৰিবা, মই মহাৰাজক কৈ-মেলি তোমাক কিবা এটা চাকৰি নিশ্চয় দিয়াম।"

যাত্ৰীদলৰ লগ লাগি কালিদাসো গৈ থাকিল। গৈ গৈ হঠাৎ এটা ভয়ানক দৃশ্য চকুত পৰাত সকলোৱে থমক খাই ৰৈ দিলে। কৰালকণ্ঠ নামৰ ৰাক্ষস এটাই ঘোঁৰাৰ ওপৰত বহি থকা মানুহ এজনক ধৰি গিলি খাবলৈ চেষ্টা কৰি আছিল।

এই ভয়ংকৰ দৃশ্য দেখি ভয়তে ঠৰ হৈ ঠিৰ ঠিৰকৈ কঁপি কঁপি বৃদ্ধ মানুহজনে কালিদাসক ক'লে, "ৰাক্ষসটোৱে কাক খাবলৈ লৈছে জানানে—? তেওঁৱেই হ'ল আমাৰ ৰজা বিদ্যাধৰ।"

কালিদাস একেলৰে ৰাক্ষসৰ ওচৰ পালেগৈ আৰু সেই ৰাক্ষসটোক ডাবি মাৰি ক'লে, "হেৰ কৰালকণ্ঠ, আমাৰ মহাৰাজক এতিয়াই এৰি দে কৈছোঁ। যদি তোৰ সাহস আছে, তেনেহ'লে মহাৰাজক এৰি মোক খাহিচোন চাওঁ?"

কৰালকণ্ঠই হে হেকৈ হাঁহি মাৰি কালিদাসক ক'লে, "তোমাৰ দেখিছোঁ—নিজৰ জীৱনৰ প্ৰতি মায়া-মোহ একেবাৰে নোহোৱা হৈছে!"

"কিয় নোহোৱা হ'বনো? মোৰো জীৱনৰ প্ৰতি যথেষ্ট মোহ আছে। কিন্তু মই যি দেশৰ প্ৰজা, সেই দেশৰ ৰজাক চকুৰ আগত ৰাক্ষসৰ আহাৰ হ'বলৈ দিব নোৱাৰোঁ। ৰজাৰো যেনেকৈ প্ৰজাৰ প্ৰতি কৰ্তব্য আছে, প্ৰজাৰো ৰজাৰ প্ৰতি কৰ্তব্য নথকা নহয়।"

হতবাক হৈ পৰা ৰাক্ষস কৰালকণ্ঠই কালিদাসৰ হাতত ধৰি ক'লে, "তোমাৰ

সাহস, ত্যাগ আৰু প্ৰতিজ্ঞাৰ মনোভাৱৰ মই শলাগ লৈছোঁ। তোমাৰ এই আত্মত্যাগ—অতি মহৎ। লাগিলে তোমাক মই বৰ দিব পাৰোঁ।"

কালিদাসে কেইমুহূৰ্তমান ভাবি লৈ ক'লে, "সৰুৰেপৰাই লাঠিখেলত দক্ষ হোৱালৈ মোৰ বৰ ইচ্ছা।"

"তোমাৰ এই ইচ্ছা পূৰ্ণ হওক।" ৰাক্ষসে আশীৰ্বাদৰ ভংগীৰে ক'লে।

লগে লগে কালিদাসে তাৰ লাঠিডাল শূন্যলৈ ঘূৰাবলৈ ধৰিলে। লাঠি ঘূৰোৱাৰ ফলত সোঁ সোঁকৈ ধুমুহাৰ দৰে এটা শব্দ উঠিল, কিন্তু লাঠিডাল দেখা নগ'ল। কালিদাসৰ লাঠিখেলৰ দক্ষতা দেখি কৰালকণ্ঠও কেঁৰাহেন হৈ পৰিল।

তেতিয়া ৰাক্ষস কৰালকণ্ঠই কালিদাসক ক'লে, "মইনো তোমাক আৰু কিটো বৰ দিম? বৰঞ্চ তুমিয়েই মোক লাঠিখেল শিকোৱা। মই তোমাক মোৰ গুৰু হিচাপে মানি ল'ম। আৰু—গুৰুদক্ষিণা হিচাপে তোমাক কি লাগে কোৱা।"

"এতিয়াৰপৰা মানুহ ধৰি ধৰি নাখাই বিভিন্ন জন্তু ধৰি খাবা। ইয়েই হ'ব গুৰু-দক্ষিণা।" কালিদাসে কৰালকণ্ঠক ক'লে।

এই কথা শুনি ৰাক্ষসে ক'লে, "তোমাৰ এই কথা মানি চলা মোৰ অসাধ্য। পিছে—তোমাৰ আৰু মোৰ মাজত এটা চৰ্ত বন্ধা হওক। মই পুনৰ এবাৰ জনম ল'ম। সেই জনমত মই আৰু মানুহকে নোখোৱা হ'ম।" এই বুলি কৈ, ৰজাক, আৰু লগতে কালিদাসকো লগত লৈ এটা প্ৰকাণ্ড গুহাৰ ভিতৰত সোমালগৈ। গুহাৰ ভিতৰত দ'মে দ'মে সোণৰ অলংকাৰ আছিল। ৰাক্ষসে কালিদাসক ক'লে, "এইবোৰ মই দান কৰিবলৈ বিচাৰোঁ। গুৰুদক্ষিণা হিচাপে এইবোৰ তুমি ল'বানে? নে তোমাৰ সেই কথাতহে গোঁজ হৈ থাকিবা? তোমাৰ সেই কথা মানি লওঁ যদি—ৰজাৰ জীৱন

ৰক্ষা পৰিব। কিন্তু যদি গুৰুদক্ষিণা হিচাপে এই সোণৰ দ'মটি লোৱা — তোমাৰ চৈধ্য পুৰুষে শুই-বহি খাব পাৰিব।"

কালিদাসে ক'লে, "কৰালকণ্ঠ, মই ধন-বিতৰ লোভৰ জালত বন্দী হ'বলৈ নিবিচাৰোঁ, তাতকৈ—নৰমাংস নোখোৱাৰ প্ৰতিজ্ঞাকে কৰি গুৰুদক্ষিণা দিয়া।"

কৰালকণ্ঠই ক'লে, "ঠিক আছে, সেয়ে হ'ব। তথাপি কওঁ—যদি আগলৈ কেতিয়াবা তোমাক ধন-বিত লাগে, পাবা, ল'বা। কিন্তু তেতিয়া এই প্ৰতিজ্ঞা মই পালিব নোৱাৰিম। মানুহৰ মন হ'ল—পদুমপাতৰ পানী। তোমাৰ আজিৰ মত কালিলৈয়েই সলাব পাৰা। কিন্তু তেনেস্থলত যেনেকৈ মই ধন-সোণ দিম, তেনেকৈ নৰমাংসও আকৌ খাম। মই ৰাজধানীত সোমাই যাকে পাম তাকে খাম।"

"তেনেকুৱা অৱস্থা যাতে নহয়—তাৰ ব্যৱস্থা-বন্দৱস্ত মই কৰিম।" এই বুলি কৈ, ৰজাক কৰালকণ্ঠৰ কবলমুক্ত কৰি লৈ, কালিদাস ৰাজধানীলৈ গুচি গ'ল।

ৰজাই তেওঁৰ জীৱনৰক্ষাকাৰীৰ প্ৰতি কৃতজ্ঞতাৰ চিনস্বৰূপে কালিদাসৰ সৈতে জীয়েকৰ বিয়া পাতিবলৈ মনস্থ কৰিলে। কিন্তু ৰজাৰ প্ৰস্তাৱত ৰাণী সন্মত নহ'ল।

তেতিয়া ৰজাই ৰাণীক কালিদাসৰ সৎসাহস আৰু চাৰিত্ৰিক নিৰ্লোভতাৰ কথা, সততাৰ কথাও বিস্তাৰিতভাৱে বুজাই কোৱাৰ অন্তত মন্তব্য কৰিলে, "কালিদাসৰ নিৰ্লোভ চৰিত্ৰই কেৱল দেশৰ ৰজাকেই ৰক্ষা কৰা নাই, প্ৰজাকো ৰক্ষা কৰিলে। কিয়নো—নহ'লে কৰালকণ্ঠই প্ৰজাসকলক ধৰি ধৰি খাই শেষ কৰিলেহেঁতেন।"

তাৰ পাছত ৰাণী এই বিবাহৰ প্ৰস্তাৱত সন্মত হ'ল, আৰু কালিদাসৰ কথা শুনি মোহিত হৈ এদিন মহা ধুমধামেৰে সৈতে ৰাজপুত্ৰীয়ে কালিদাসক তেওঁৰ জীৱনৰ পৰমসংগী পতিৰূপে বৰণ কৰি ল'লে।

নিমিল মানুহ

ভাওনা চোৰাত জগন্নাথৰ বৰ চখ। প্ৰতি বছৰ, জগন্নাথে তেওঁৰ কাম কৰা মানুহ জগদীশক লগত লৈ ভাওনা চাবলৈ গৈছিল। গাঁৱৰ মন্দিৰৰ চোতালত দৰ্শক-শ্ৰোতাৰ সমাগম হোৱাবলৈ জগদীশে মন কৰিছিল। দৰ্শক-শ্ৰোতাৰ সংখ্যা বাঢ়িছিল, কিন্তু তেওঁলোকৰ সা-সুবিধালৈ লক্ষ্য কৰিবপৰা কোনো নাছিল।

জগদীশে মন্দিৰৰ কৰ্মকৰ্তা এগৰাকীক ক'লে, "মই মন্দিৰৰ নামত কিছু টকা দিম। মোৰ টকাৰে—প্ৰতি বছৰ পতা ভাওনাৰ দিনবিলাকত এই দৰ্শকসকলৰ থকা-মেলাৰ বাবে সুব্যৱস্থা কৰাটোৱেই মোৰ ইচ্ছা।" এই কথা কৈটকাৰ্ভতি মোনা এটিও জগদীশে কৰ্মকৰ্তাজনক দিলে।

আৰু—জগদীশে ভাওনাৰ দৰ্শক-শ্ৰোতাৰ সুখ-সুবিধাৰ বাবে তথা মন্দিৰৰ ভালৰ বাবে এমোনা ধন দিয়াৰ কথা অন্যান্যই শুনাৰ লগে লগে জগন্নাথেও নিজ কাণেৰেই শুনিলে। আৰু অলপো কালক্ষেপ নকৰাকৈ—জগন্নাথে সেই গাঁৱৰ বিশিষ্ট বিশিষ্ট লোকসকলক মতাই অনাই, তেওঁলোকৰ আগত ঘোষণা কৰিলেঃ ভাওনা চাবলৈ তথা মন্দিৰৰ উছৰলৈ অহা যাত্ৰীসকলৰ থকা-মেলাৰ বাবে মই এখন ধৰ্মশালা পাতিম।" জগন্নাথৰ প্ৰস্তাৱলৈ সমজুৱাই সহৰ্ষ সমৰ্থন জনালে।

কিছুদিনৰ অন্তত জগদীশ ঢুকাল। আৰু জগন্নাথৰো দেহাৰ একাষ যেনিবা সাৱন্বৰ নোহোৱা হৈ পৰিল। কিয়নো—জগন্নাথে তেওঁৰ কাম কৰা মানুহ জগদীশক লগত নোলোৱাকৈ ক'লৈকো

মুকুল বৰুৱা

নোলাইছিল। বহুতেই জগন্নাথক ক'লেহি, "আপোনাৰ কাম কৰা মানুহ জগদীশ—প্ৰকৃততেই মানুহৰ দৰে মানুহ। ইমান পৰোপকাৰী আজিৰ দিনত নিমিল।"

এওঁলোকৰ কথা শুনি জগন্নাথৰ মনত জগদীশলৈ ঈৰ্ষা উপজিল। তথাপি জগদীশৰ শলাগ লোৱহঁতক জগন্নাথে ক'লে, "সঁচা কথা, জগদীশৰ কোনো তুলনা নাই। বেচেৰাই বহু মানুহক সহায় কৰি গ'ল। অন্ততঃপক্ষে—সহায়ৰ বাট মুকলি কৰি গ'ল।"

আন এজনে কৈ উঠিল, "জগদীশে ধন নিদিয়াহেঁতেন মন্দিৰৰ উছৱ ইমান জাকজমকীয়াকৈ হ'ব নোৱাৰিলেহেঁতেন।"

অলপ বিৰক্ত যেন হৈ জগন্নাথে ক'লে, "জগদীশৰ কথা মোৰ ওচৰত ইমানকৈ নক'লেও হ'ব। যেই কি নহওক—ময়ো এদিন মৰিমেই। তেতিয়া যে আপোনাসৱে মোৰ সম্পৰ্কে কি ক'ব—।" ৰৈ দিলে তেওঁ।

তেতিয়া এগৰাকী বুঢ়া গাঁৱলীয়াই জগন্নাথক ক'লে, "কোনোবাই দহোৰাইজৰ বাবে কুশল-মঙ্গলৰ কাম কৰিলে সেইজনৰ সম্পৰ্কে ৰাইজে কোৱাকুই কৰে। কামটো যিমানেই ক্ষুদ্ৰ হওক—যদি মংগলকৰ হয়—মানুহে পাহৰি নাযায়, চিৰটিকাল মনত ৰাখে। মানুহক সেৱা কৰা, মানুহৰপৰা আঁতৰি নোযোৱা, মানুহৰ মংগলৰ বাবে কাম কৰা—এইবোৰ হ'ল মহৎ লোকৰ লক্ষণ। এনেবোৰ মহৎলক্ষণ তথা গুণ—কেতিয়াবা অতি সাধাৰণ মানুহৰ মাজতো থাকে, কিন্তু অসাধাৰণ মানুহৰ মাজত নাথাকে।"

বৃদ্ধৰ কথাৰ সাৰাৰ্থ জগন্নাথে নিৰ্ভুল-উপলব্ধি কৰিলে, আৰু কাম কৰা সাধাৰণ মানুহ জগদীশৰ ক্ষুদ্ৰ সহায়ৰ প্ৰভাৱৰ কথাটোও অনুভৱ কৰি তৎক্ষণাৎ গাঁৱত দহোৰাইজৰ মংগলৰ বাবে এখন ধৰ্মশালা পতাৰ স্থিৰ সিদ্ধান্ত ল'লে।



স্বৰ্ণ-উপত্যকা

১২

নক্ষত্ৰফল
খোৱাৰ অন্তত
এজোপা গছৰ খোৰোঙৰ
মাজেদি গৈ গৈ বিনন্দই এডোখৰ
মুকলি ঠাই পালেগৈ। তাত আছিল
বিৰাট এক মন্দিৰ। সেই মন্দিৰৰপৰা এগৰাকী
বৃদ্ধ পুৰোহিত ওলাই আহিল অতি ধীৰ-শান্ত পদক্ষেপেৰে।
এইগৰাকী আছিল মন্দিৰৰ পুৰোহিত। বিনন্দই একো
নোকোৱা সত্ত্বেও এই পুৰোহিতে বিনন্দৰ মনৰ
সকলো কথাৰ গম পাই গ'ল।
আৰু তাৰ পাছত···

বিনন্দই পুৰোহিতক ক'লে, "মই এই মন্দিৰৰ বিগ্ৰহক দৰ্শন কৰিবলৈ আহিছোঁনে কি, আপুনি তাকে তো জানিব খুজিছে। কিন্তু—আপোনাক কওঁ, মই কেৱল মন্দিৰ বা মন্দিৰৰ বিগ্ৰহ দৰ্শন কৰাৰ মনেৰে ইয়ালৈ অহা নাই। মন্দিৰৰ দেৱতাৰপৰা তিনিটি বৰ খুজি ল'বলৈকে আহিছোঁ।"

"তথাপি - বিষয়টো কিজানি তোমাৰ বৰ ভাল লগা নাই। তুমি কিন্তু—তিনিটা নহয়, চাৰিটা বৰ লাভ কৰাৰ আশাৰে

মনোজ দাস

ইয়ালৈ আহিছিলা।" বৃদ্ধ পুৰোহিতে ক'লে।

"কিন্তু সেই কথাই নিশ্চয় আপোনাৰ মনত বৰ আনন্দৰ সঞ্চাৰ কৰা নাই ?" বিনন্দই পুৰোহিতক ক'লে।

বিনন্দৰ কথাৰ উত্তৰত বৃদ্ধ পুৰোহিতে হাঁহি উঠিল আৰু ক'লে, "কিন্তু সেই চাৰিওটা বৰ লাভ কৰা তোমাৰ পক্ষে সম্ভৱ নহ'ব। তিনিটাহে পাব পাৰিবা। বৰ লাভৰ ক্ষেত্ৰ ইয়াত সীমিত। তিনিটাতকৈ অধিক বৰ নোপোৱা। প্ৰকৃতিৰ সৰ্বপ্ৰকাৰ কথা-কাণ্ডৰ মাজত এটা ছন্দোবদ্ধ নিয়ম-শৃংখলা আছে, আৰু, আৰু প্ৰকৃতিৰো সীমা নথকা নহয়। তুমি একো গম নোপোৱাকৈ শিল ভাবি সিংহৰ পিঠিত বহি আছিলা। সিংহইহে তোমাক বিপদ মুক্ত কৰিলে। কিন্তু সিংহটোৱে যদি তোমাক মাজবাটতে নমাই দিলেহেঁতেন, বা তোমাক মাৰি পেলালেহেঁতেন ? ঠিক তেনেকৈ, তোমাৰ ভাগৰে, আৰু জাৰৰ প্ৰকোপেহে তোমাক গছ এজোপাৰ খোৰোঙলৈলৈ আহিছিল। তোমাৰ তেনেবোৰ অসুবিধা নোহোৱা-হেঁতেন তুমি নিশ্চয় খোৰোঙৰপৰা ওলাই গ'লাহেঁতেন, ইয়ালৈ নিশ্চয় নাহিলা-হেঁতেন। এতিয়া ভাবি চোৱা—নিয়ম-শৃংখলা সকলোতে সকলো কথাতে আছে, থাকে থাকিব। নিয়মৰ ৰাজ্যত অনিয়ম ঘটিলে সৃষ্টি ধ্বংস হয়।"

বিনন্দই পুৰোহিতৰ কথালৈ সমৰ্থন জ্ঞাপনৰ ভংগীৰে মূৰ দুপিয়ালে।

এনেতে সূৰ্য্য উদিত হ'ল। এই সূৰ্য্য আছিল বিনন্দই কাহানিও নেদেখা এক আশ্চৰ্য্যসুন্দৰ সূৰ্য্য।

অবাক হৈ পৰা বিনন্দই ক'লে, "এনেহেন অৰুণোদয় তথা প্ৰভাত—মই জীৱনতো দেখা নাছিলোঁ। মই—এতিয়া কোন ঠাইত আছোঁ মোক ক'বনে ?"

বিনন্দৰ মনৰ অৱস্থা অনুধাৱন কৰি বৃদ্ধ পুৰোহিতে বিনন্দক ক'লে, "শুনা, এই

অৰুণোদয়ত বিস্ময়কৰ একো নাই। এই পবিত্ৰ ভূমিৰ অৰুণোদয় পৃথিৱীৰ দৰে নহয়। ইয়াত ফুল কেনেকৈ ফুলে—তুমি জানানে? কিয় ফুলে — ক'ব পাৰিবানে? শান্তিৰ বাবে, শান্তিৰ বাবে। পিছে তুমি এইবোৰ কথা বুজি নোপোৱা।

পুৰোহিতে বিনন্দক মন্দিৰৰ ভিতৰলৈ লৈ গ'ল। তাত এক অপৰূপা দেৱী মূৰ্তি দেখি বিনন্দ বিমোহিত-বিস্মিত। বিনন্দই দেৱীক সাষ্টাংগে প্ৰণাম কৰিলে।

পুৰোহিতে ক'লে, "কিন্তু ইয়াত অধিক সময় অতিবাহিত নকৰিবা। বৰ তিনিটা খুজি লৈ তৎক্ষণাৎ গুচি যাবাগৈ।"

বিনন্দই দেৱী প্ৰতিমালৈ প্ৰাৰ্থনা জনালে, "হে দেৱী! স্বৰ্ণ-উপত্যকাত থকা সোণৰ প্ৰতিমাত প্ৰাণ প্ৰতিষ্ঠা কৰি দিয়া।"

লগে লগে দেৱীৰ পদপ্ৰান্তত এথোপা পদুম ফুল সৰিপৰা দেখা গ'ল।

পুৰোহিতে শান্ত কণ্ঠেৰে বিনন্দক ক'লে, "তোমাৰ প্ৰাৰ্থনা দেৱীয়ে পূৰণ কৰিলে। তোমাৰ আঙুলিত থকা আঙঠিটো সোণৰ প্ৰতিমাৰ আঙুলিত পিন্ধালেই স্বৰ্ণ-প্ৰতিমাত প্ৰাণ সঞ্চাৰিত হ'ব।"

তেতিয়াই বিনন্দই দেৱীৰপৰা দ্বিতীয় প্ৰাৰ্থনা কৰিলে, "হে দেৱী! মহামৃগ-ভূমিৰ অধিবাসীসকলে আনন্দৰে হাঁহিব পৰা হয় যেন—এই বৰ দিয়া।"

দেৱীৰ হস্তৰপৰা আন এজোপা পদুম



তললৈ সৰি পৰিল। পুৰোহিতে ক'লে, "তোমাৰ দ্বিতীয় প্ৰাৰ্থনাও মঞ্জুৰ !"

আৰু লগে লগে বিনন্দই তাৰ তৃতীয় বৰো প্ৰাৰ্থনা কৰিলে : "হে দেৱী ! শান্তি-ভূমিৰ অধিবাসীসকলে গান গাব পৰা শক্তিৰ অধিকাৰী হয় যেন !"

তৃতীয় বাৰতো পদুম এজোপা দেৱীৰ হাতৰপৰা ওলাল ; কিন্তু সেইজোপা তললৈ সৰি নপৰা হ'ল।

"শান্তিভূমিৰ কোনেও গান গাবলৈ নিবিচাৰে। কেৱল তোমাৰ প্ৰতি আকৃষ্ট যুৱৰাণীয়েহে গান গাবলৈ বিচাৰে।" সেই বৃদ্ধ পুৰোহিতে বিনন্দক ক'লে।

পুৰোহিতৰ কথা শুনি বিনন্দ বিভ্ৰান্ত হ'ল। তৃতীয় বৰ মঞ্জুৰো নহ'ল, আৰু পুনৰ প্ৰাৰ্থনাৰো উপায় নাথাকিল। —কি হ'ব? আৰু ঠিক তেতিয়াই এক অতি ভয়ংকৰ শব্দ উঠিল, আৰু গছ-গছনি, পাহাৰ-পৰ্বত, নৈ-জান-জুৰি, অট্টালিকা-ইমাৰত সকলো পাক খাই খাই ঘূৰিবলৈ ধৰিলে। আৰু লগে লগে বিনন্দই চেতনা হেৰুৱালে।

বিনন্দই যেতিয়া চেতনা ঘূৰাই পালে, তেতিয়া দেখিলে যে সি নীল পৰ্বতত পৰি আছে, আৰু তাৰ আগত যুৱৰাণী হাঁহো হাঁহোঁকৈ থিয় হৈ আছে।

বিনন্দই মিচিক-মাচাককৈ হাঁহি থকা যুৱৰাণীক ক'লে, "যুৱৰাণী, তুমি গান গাব পৰা বৰ মই খুজি আনিলোঁ।"

"জানো মই সেই কথা। কিয়নো—ননাহেঁতেন তুমি পুনৰ এই শান্তিভূমিলৈ আহিব নোৱাৰিলাহেঁতেন।" যুৱৰাণীয়ে হাঁহি হাঁহি ক'লে।

"তেনেহ'লে আমি এতিয়া এটা গীত গাওঁ আহাঁ।" বিনন্দই ক'লে।

"তেনে — শিকাই দিয়া মোক।" যুৱৰাণীয়ে উলাহৰ মাদলীটি হৈ ক'লে।

বিনন্দই লাহে লাহে গান গাই থাকিল, আৰু যুৱৰাণীয়ে শিকি থাকিল। হঠাৎ বিনন্দই লক্ষ্য কৰিলে যে গান

গাই গাই যুৱৰাণী বহুদূৰলৈ আঁতৰি গৈছে। আৰু চাওঁতে চাওঁতে যুৱৰাণী মেঘৰ আঁৰলৈ গুচি নোহোৱা হৈ গ'ল।

বিনন্দই ভয় খাই চিঞৰি উঠিল, যুৱৰাণী! যুৱৰাণী!" বিনন্দৰ মূৰ আচন্দ্ৰাই কৰি উঠিল।

"এই যুৱৰাণী পাৰ্থিৱ জগতৰ কোনো নহয়। তেওঁ নিজৰ জগতলৈ গুচি গ'ল।" এই কণ্ঠস্বৰ শুনি বিনন্দই চকু মেলি চালে আৰু তাত তাৰ কাষত সহায়কাৰী ঋষিজনাক থিয় হৈ থকা দেখা পালে।

বিনন্দই সুধিলে, "প্ৰভু, মই এতিয়া ক'ত আছোঁ?"

"তুমি সম্প্ৰতি জ্ঞানভূমিৰ সীমাত আছা। তুমি ইয়াতে থাকা। তুমি যি বৰ লাভ কৰিছা, তাৰ বলতে তুমি স্বৰ্ণ-উপত্যকালৈ যাব পাৰিবা।"

"কেনেকৈ যাম? পথ যে মই পাহৰি পেলাইছোঁ, প্ৰভু!"

ঋষিয়ে নীৰৱে হাঁহি ক'লে, "এঠাইত নোহোৱা হৈ আন ঠাইত গজিলে কেনেকৈ পথ বিচাৰি পাবানো?"

এই বুলি কোৱাৰ পাছত ঋষিয়ে বিনন্দক তাৰ আগুৱাই যোৱাৰ পথ আঙুলিয়াই দেখুৱাই দিলে।

ঋষিৰ নিৰ্দেশিত পথ অনুসৰণ কৰি বিনন্দ এটা সৰু টিলাত উঠিলগৈ। তাত থিয় হৈ, জ্ঞানভূমি তাৰ দৃষ্টিগোচৰ হ'ল।



বিনন্দয়ো বেয়া নাপালে এই আনন্দ-মুখৰ পৰিবেশ। এনেতে বহুদূৰৰপৰা ঋষিৰ কণ্ঠস্বৰ ভাহি আহিল : সময় বৈ যাব ধৰিছে। বিন্দুমাত্ৰ পলম নকৰা। যিমান শীঘ্ৰে সম্ভৱ স্বৰ্ণ-উপত্যকালৈ যোৱা !"

বিনন্দই এই ঋষিজনাক দূৰৰেপৰাই প্ৰণাম কৰি, নিজক এক বিশেষ শক্তিলৈ ৰূপান্তৰিত কৰি, সেই ঠাইৰপৰা নিমিষতে নোহোৱা হ'ল। আৰু—

আৰু প্ৰায় মুহূৰ্তৰ ভিতৰতে বিনন্দই তাৰ আকাংক্ষিত স্বৰ্ণ-উপত্যকা পালেগৈ।

পূৰ্ণিমাৰ সেইজোনাক নিশা—স্বৰ্ণ-উপত্যকা আছিল সোণ-বৰণীয়া পোহৰেৰে উদ্ভাসিত। বিনন্দৰ মূৰৰ ওপৰেদি এজাক কুলিয়ে গান গাই গাই ডেউকা কোবাই গুচি গ'ল। বিনন্দৰ মনত ৰোমাঞ্চৰ ঢৌ জাগিল। স্বৰ্ণ-উপত্যকাৰ মাজেদি বৈ যোৱা স্ৰোতস্বিনীও আছিল যেনিবা সোণ বৰণীয়া। সকলো মিলাই এক স্বপ্নময় ছন্দময় আবেশ। আৰু এই স্বপ্নময় ছন্দময় তাৰ মাজেদি বিনন্দই স্বচ্ছন্দ গতিৰে সোণৰ প্ৰতিমাৰ কাষ চাপিল।

ক্ষন্তেকমান বৈ, সোণৰ প্ৰতিমালৈ অপলক দৃষ্টিৰে চাই, বিনন্দই তাৰ আঙুলিৰপৰা আঙঠিটো সোলোকাই লৈ আচ্ছন্নৰ দৰে ভাবিলে: এতিয়া আঙঠিটো প্ৰতিমাক

অলপ আঁতৰতে, প্ৰায় টিলাটোৰ গাতে লগা জ্ঞানভূমিৰ ৰাজপ্ৰাসাদ দূৰৰেপৰাই বিনন্দই দেখা পালে।

আৰু জ্ঞানভূমিৰ ৰাজপ্ৰাসাদৰ প্ৰহৰী কেইজনমানে — যিহঁতে বিনন্দক চিনি পাইছিল—বিনন্দৰ কথা ৰজাক ক'লেগৈ।

অলপ সময়ৰ পাছত জ্ঞানভূমিৰ ৰজাই যুৱৰাজ, মহামন্ত্ৰী আৰু অন্যান্য পাত্ৰ-মিত্ৰকো লগত লৈ তালৈ গৈ বিনন্দলৈ আদৰণি জনালে। চাৰিওফালৰপৰা দলে দলে মানুহ-মুনিহ ঢপলিয়াই আহিল। তেতিয়া এই ঠাইডোখৰ অগণন মানুহৰ মুখৰ নানান কথাৰে মুখৰ হৈ উঠিল।



পিন্ধালেই প্ৰাণ পাই উঠিব এই স্বৰ্ণ-প্ৰতিমাই। কিন্তু জীৱন্ত প্ৰতিমাক বিয়া কৰোৱাৰ বৰ তো মই দেৱীৰপৰা খুজি ল'বলৈ নহ'ল! —কি হ'ব এতিয়া? যদি কোনোবা ৰাজকোঁৱৰে সোণৰ প্ৰতিমাক বিবাহ কৰিবলৈ বিচাৰে—কি হ'ব? কিন্তু যিয়েই নওহক, আঙঠিটো মই সোণৰ প্ৰতিমাক পিন্ধামেই।

বিনন্দই সোণৰ প্ৰতিমাক আঙঠিটো আলফুলে পিন্ধাই দিলে।

আৰু পাছ মুহূৰ্ত্ততে সোণৰ প্ৰতিমা অধিক উজ্জ্বল আৰু সৌন্দৰ্য্যমণ্ডিত হৈ উঠিল। নৃত্যৰ ছন্দেৰে জুখোজমান আগুৱাই আহি সেই জীৱন্ত প্ৰতিমাই বিনন্দক ক'লে, "এতিয়া আমাৰ বিবাহ সম্পূৰ্ণ হ'ল।"

এই জীৱন্ত প্ৰতিমাৰ কণ্ঠস্বৰ বিনন্দৰ বৰ চিনাকি চিনাকি যেন লাগিল। কিন্তু এই কণ্ঠস্বৰ সি যে ক'ত-কাহানি শুনিছিল—বহু ভাবিও সেই কথা তাৰ মনত নপৰা হ'ল।

"আমাৰ বিবাহ!" বিস্মিত বিনন্দই জীৱন্ত প্ৰতিমাক সুধিলে।

"নিশ্চয় বিবাহ।" জীৱন্ত সোণৰ প্ৰতিমাই ক'লে, "তুমি ঋষিৰ সহায়তাৰে যেতিয়া শান্তিভূমি জ্ঞানভূমি আদি বিভিন্ন ভূমিলৈ ভ্ৰমি ফুৰিছিলা, তেতিয়াই মোৰ আঙুলিত থকা এই আঙঠিটো তোমাৰ আঙুলিত—অৱচেতনভাৱেই পিন্ধিছিলা। ইমান কালৰ অন্তত, ভ্ৰমি আহি, পুনৰ সেই আঙঠিটো, তুমি নিজেই পিন্ধাই দিলা। আমাৰ বিবাহ হোৱা নাই বুলি এতিয়াও ক'বানে তুমি?" অপূৰ্ব স্বৰ্গীয় হাঁহিৰে মুখখন উদ্ভাসিত কৰি জীৱন্ত স্বৰ্ণ-প্ৰতিমাই বিনন্দক সুধিলে।

দেৱীৰপৰা যি বৰ খুজি ল'বলৈ নহ'ল, সেই বৰ এনেয়ে লভাত বিনন্দৰ মন-প্ৰাণ আনন্দেৰে আপ্লুত হ'ল। [অহা সংখ্যাত অন্ত]





শেষ ভালেই ভাল

প্ৰতিজ্ঞাবদ্ধ ৰজা বিক্ৰমাদিত্য পুনৰ সেই বিশেষ গছজোপাৰ ওচৰলৈ উভতি গ'ল আৰু গছৰ ডালত ওলমি থকা শ'টো নমাই আনি, কান্ধত পেলাই লৈ নীৰৱে-নিমাতে মৰিশালিলৈ বুলি গৈ থাকিল। তেতিয়া শ'ৰ মাজত থকা বেতালে কৈ উঠিল, "হে ৰজা, প্ৰতিজ্ঞা পালন উত্তম কাৰ্য্য। কিন্তু তাৰে স্বাৰ্থৰক্ষা হ'বনে নহ'ব, সেই কথাটোও বিচাৰ্য্য। আনৰ কথাত অন্ধৰদৰে বিশ্বাস স্থাপন ক্ষতিকৰ। কিন্তু কেতিয়াবা বিপৰীত ফলো নোহোৱা নহয়। উদাহৰণস্বৰূপে, মই তোমাক ৰাজকুঁৱৰী কৌশল্যাৰ কাহিনী ক'ম। এই কাহিনীৰে তোমাৰ আন একো উপকাৰ হওক-নহওক, পথশ্ৰম কথঞ্চিত লাঘৱ হ'ব।" এই বুলি কৈ, বেতালে ক'বলৈ ধৰিলে ঃ

মহানন্দেশৰ ৰজাৰ নাম আছিল

'বেতাল-কথা'

কুবলয়াসুৰ। তেওঁ আছিল অতি শান্ত, ধীৰ আৰু ধাৰ্মিক প্ৰকৃতিৰ ৰজা। কিন্তু ৰাণী আছিল অতি অহংকাৰী।

ৰজাৰ একেজনী মাত্ৰ জী। জীয়েকৰ নাম ৰাজকুঁৱৰী কৌশল্যা। ৰাজকুঁৱৰী কৌশল্যা ৰূপহী নাছিল ; কিন্তু ৰূপহী হোৱাৰ চেষ্টাত বিভিন্ন বিষয় সম্পৰ্কে তেওঁৰ জ্ঞান বৃদ্ধি হৈছিল, আৰু লগতে সযতনে অধ্যয়নাদি কৰাত কম বয়সতে জ্ঞানী হিচাপে সুনাম বিয়পি পৰিছিল।

ৰাজকুঁৱৰী কৌশল্যা যেতিয়া বিবাহ-যোগ্যা হৈ উঠিল, তেতিয়া ৰজা কুবলয়াসুৰে ভাবিলে ঃ কৌশল্যাৰ উপযুক্ত দৰা বিচাৰি উলিউৱা মোৰ পক্ষে টানেই হ'ব। এতেকে — স্বয়ম্বৰসভাকে পতা যাওক। আৰু ভবামতে ঘোষণাও কৰিলে।

ৰজাৰ ঘোষণা শুনি মন্ত্ৰীপুত্ৰ সুন্দৰেশ্বৰে ৰাজকুঁৱৰীক বিবাহ কৰিবলৈ মন মেলিলে। সুন্দৰেশ্বৰ নামতো দেখাতো, আৰু কামতো।

এদিন ৰাজকুঁৱৰী কৌশল্যাই তেওঁৰ সখিয়েকহঁতৰ সৈতে ফুৰিবলৈ ওলাোত সুন্দৰেশ্বৰে ৰাজকুঁৱৰীৰ সৈতে নিজে নিজেই চিনাকি হ'ল। কৌশল্যাই মন্ত্ৰীপুত্ৰৰ সৈতে যথেষ্ট মৰ্য্যাদাৰে মাত-বোল কৰিলে।

সুন্দৰেশ্বৰে ৰাজকুঁৱৰী কৌশল্যাক ক'লে, "মই আপোনাক কেইটামান কথা সুধিম বুলি ভাবিছোঁ। সোধোঁনে ?"

ৰাজকুঁৱৰীৰপৰা বিশেষ ইংগিত পাই সখিয়েকহঁত তাৰপৰা আঁতৰি গ'ল। তেতিয়া সুন্দৰেশ্বৰে পুনৰ ক'লে, "মই মহাৰাজৰ ঘোষণাৰ কথা শুনিছোঁ। সকলেপৰাই আপোনাৰ প্ৰতি মোৰ প্ৰবল আকৰ্ষণ। যদি মোক বৰণ কৰি লোৱাত আপোনাৰ আপত্তি আছে, স্বয়ম্বৰসভালৈ মই নাযাওঁ।"

ৰাজকুঁৱৰী কৌশল্যাই তন্ময় হৈ অলপ ভাবিলে আৰু পাছত সুন্দৰক ক'লে, "আপোনাৰ প্ৰশ্নৰ উত্তৰ দিয়াৰ আগতে আপোনাক কেইটামান কথা

ভালকৈ বুজাই কোৱা আৱশ্যক।"

"কওক।"

"অনুগ্ৰহ কৰি ধৈৰ্য্য ধৰি শুনিব। কিয়নো—মই যি ক'ম—বিস্তাৰিতভাৱেই ক'ম। এইবুলি কৈ ৰাজকুঁৱৰী কৌশল্যাই ক'বলৈ ধৰিলে:

বহুকালৰ আগতে, মোৰ ককাদেউতা স্বৰ্গী গোবিন্দ মিশ্ৰদেৱে মহাৰ্নদেশ শাসন কৰিছিল। চন্দনদেশৰ নৃপতি লক্ষ্মণবৰ্মাদেৱৰ সৈতে গোবিন্দমিশ্ৰদেৱৰ প্ৰগাঢ় বন্ধুত্ব আছিল। গোবিন্দমিশ্ৰদেৱৰ পুত্ৰ, মোৰ পিতৃদেৱ, কুবলয়াশ্বৰ বয়স যেতিয়া বিবাহযোগ্য হ'ল, তেতিয়া লক্ষ্মণবৰ্মাদেৱে তেওঁৰ পুত্ৰী সুনন্দিনীৰ ছবি এখন মোৰ ককাৰ ওচৰলৈ পঠাল। ছবিত সুনন্দিনীক চাই, ভাল পাই, গোবিন্দমিশ্ৰদেৱে নিজপুত্ৰৰ সৈতে বন্ধুপুত্ৰীৰ বিবাহ সম্পাদন কৰাত আগ্ৰহী হ'ল আৰু এই বিবাহ ককাৰ পৰম আগ্ৰহত সুসম্পন্ন হ'ল।

কিন্তু বিবাহৰ পাছত সুনন্দিনীৰ ৰূপ অতি দ্ৰুতগতিৰে পৰিৱৰ্তিত হ'বলৈ ধৰিলে। বিষয়টোৰ হেতু যিয়েই নহওক, ঘটনা যে সত্য, সেই কথা পিতা-পুত্ৰই অনুধাৱন কৰিলে। কিন্তু বিবাহ হৈ যোৱাৰ পাছত—কৰিবলগীয়া আৰু একো নাছিল।

এইদৰে দিন পাৰ হয়। এবাৰ মোৰ

পিতৃদেৱ—অৰ্থাৎ কুবলয়াশ্বদেৱ চিকাৰলৈ ওলাল। ওলাই তেওঁ এটা সিংহক দেখা পালে। তেওঁ সেই সিংহটোক কাঁড়িয়াই বধ কৰিবলৈ চেষ্টা কৰি থাকিল। তেওঁ সিংহটোক কাঁড়িয়ালে, কিন্তু কাঁড়বিদ্ধ অৱস্থাত সিংহটো তেওঁৰ অশ্বটোৰ ওপৰলৈ জঁপিয়াই পৰিলহি। আৰু তেতিয়া দেউতাই তৰোৱালেৰে একেঘাপে সিংহটোৰ মূৰ দুছোৱা কৰি পেলালে। কিন্তু সিংহটোৱে তাৰ হাতোৰাৰে হিংস্ৰ দেউতাক থাপ মাৰি ধৰাত দেউতাৰ দেহত বিষম যন্ত্ৰণাৰ সৃষ্টি হ'ল।

অসহ্য যন্ত্ৰণাৰ ফলত, কিছুদূৰলৈ

খোজ কাঢ়ি যোৱাৰ পাছত দেউতা মূৰ্ছিত হৈ পৰিল। দেউতা যি ঠাইত মূৰ্ছিত হৈ পৰিছিল, তাৰ অনতিদূৰতে আছিল পৰাস্কুশ নামৰ ঋষি এগৰাকীৰ আশ্ৰম। ঋষি তেতিয়া তপস্যামগ্ন হৈ আছিল। ঋষি-কন্যা ৰেৱতীয়ে মোৰ পিতৃদেৱ—মূৰ্ছিত কুবলয়াসুৰৰ চকু-মুখত পানী ছটিয়াই চেতনা ঘূৰাই আনিলে আৰু তেওঁক আশ্ৰমৰ ভিতৰলৈ লৈ গ'ল।

তাৰ পাছত—ঋষি-কন্যা ৰেৱতীয়ে দেউতাক তপত গাখীৰ খুৱালে আৰু সিংহই আক্ৰমণ কৰি ক্ষত-বিক্ষত কৰা ঠাইবোৰত মৰমৰে দৰব লগাই দিলে।

ৰেৱতীৰ উদাৰতা, আন্তৰিকতা, সেৱা-যত্ন তথা কৰ্মতৎপৰতাৰ ফলত কুবলয়াসুৰ ৰেৱতীৰ প্ৰতি আকৃষ্ট হ'ল।

অলপ পাছত ঋষি পৰাস্কুশে কুবলয়াসুৰৰ পৰিচয় ল'লে। সেই নিশা কুবলয়াসুৰ পৰাস্কুশ ঋষিৰ আশ্ৰমতে থাকিল। আৰু পাছদিনা—ঋষি পৰাস্কুশৰ ওচৰত তেওঁৰ পুত্ৰী ৰেৱতীক বিবাহ কৰাৰ ইচ্ছা প্ৰকাশ কৰিলে। ঋষি এই প্ৰস্তাবত সন্মত হ'ল আৰু সিদিনাই গন্ধৰ্বমতে তেওঁলোকৰ বিবাহ সম্পন্ন হ'ল।

আৰু ঠিক সেই দিনাই কুবলয়াসুৰৰ চিকাৰৰ লগৰীয়াসকলে তেওঁক বিচাৰি এই আশ্ৰম পালেহি। তাৰ পাছত, তেওঁলোকে নৱবিবাহিতা ৰেৱতীকো তেওঁলোকৰ লগত লৈ ৰাজধানী পালেগৈ।

ন-বোৱাৰীক দেখি গোবিন্দমিশ্ৰদেৱে বৰ ভাল পালে। ৰেৱতীৰাণীয়ে তেওঁৰ কৰ্ম-তৎপৰতা আৰু সেৱা-যত্নেৰে ৰাজ-পৰিয়ালৰ এজনীৰ বাহিৰে অন্য প্ৰতিজনৰ মন জয় কৰি পেলালে। এইজনী আছিল সুনন্দিনী। সুনন্দিনীয়ে কোনো কথাতে ৰেৱতীক সহ্য কৰিব নোৱৰা হ'ল।

কিছুদিনৰ অন্তত, প্ৰায় একে সময়তে সুনন্দিনী আৰু ৰেৱতী সন্তান-সম্ভৱা হ'ল। ৰেৱতীও সন্তানসম্ভৱা—এই কথা শুনি



সুনন্দিনীৰ মনত ৰেৱতীলৈ ঈৰ্ষা দহোগুণে বাঢ়িল। সুনন্দিনীয়ে চামেলী নামৰ লিগিৰী এজনীৰ লগত গোপন পৰামৰ্শ কৰিলেঃ ৰেৱতৰী পেটৰ সন্তান ওপজাৰ আগতেই যেনেতেনে পেটতে নষ্ট কৰি-পেলাব লাগে। আৰু লাগে এতিয়াই।

বুঢ়ী লিগিৰী চামেলীয়ে ক'লে, "ইমান খৰখেদানো কিহলৈ, মা? ফুল—ফুলক। তাৰ পাছত সেই ফুল বোকাৰ ভিতৰত পুতি পেলোৱা হ'ব।" তাই কেনেকৈ কি কৰিব—বহলাই বুজাই ক'লে সুনন্দিনীক।

তাৰ পাছত বুঢ়ী লিগিৰী চামেলীয়ে ৰেৱতীৰ ধাই লিগিৰী মালিনীক ক'লেগৈ ঠিক মতে ৰেৱতীৰ যত্ন ল'বলৈ।

ৰেৱতীৰ সন্তান ওপজাৰ দিন সমাগত হ'ল। কেইদিনমানৰ পাছত একেদিনতে সুনন্দিনী আৰু ৰেৱতীৰ প্ৰসৱ বেদনা আৰম্ভ হ'ল। আগতেই পাঙি থোৱা আঁচনি মতে বুঢ়ী চামেলীয়ে সুনন্দিনী আৰু ৰেৱতীক—কাম কৰাৰ সুবিধাৰ চেলু লৈ —কথাকথিকৈ কোঠা দুটাত অনাই থ'লে।

প্ৰায় একে সময়তে দুজনীৰ দুজনী ছোৱালী উপজিল। প্ৰসৱৰ পাছ মুহূৰ্তৰে-পৰা ৰেৱতীয়ে বাৰে বাৰে বঁতিয়াই এসময়ত ঢুকাল। বুঢ়ী চামেলীয়ে তাইৰ মূৰত বজ্ৰপাত হোৱা যেন পালে। কিয়নো ইতিমধ্যেই তাই কাপোৰেৰে মেৰিয়াই সুনন্দিনীৰ ছোৱালীজনীক ৰেৱতীৰ কাষত আৰু ৰেৱতীৰজনীক সুনন্দিনীৰ কাষত শোৱাই থৈছিলেইনি।

কুবলয়াসুৰে তেওঁৰ নৱজাত সন্তানদ্বয়ক চাবলৈ অহাৰ আগতেই এই সলনা-সলনি হৈ গ'ল। প্ৰসৱৰ অন্তত সুনন্দিনা কিছু সময়ৰ বাবে অচেতন অৱস্থাত আছিল। চেতনা ঘূৰাই পোৱাৰ পাছত যেতিয়া ৰেৱতীৰ মৃত্যু-সম্বাদ পালে, তেতিয়া সুনন্দিনীয়ে বৰ বেয়া নাপালে। সুনন্দিনীয়ে বুঢ়ী চামেলীক ফুচফুচাই ক'লে, "যি হ'ল —ভালেই হ'ল। ঈশ্বৰেই নিলে তাইক।

যিয়েই নহওক—এতিয়া বাকীখিনি কামৰ দায়িত্ব কিন্তু তোমাৰ ওপৰত।"

"ঠিক আছে আই, কথা দিছোঁ যেতিয়া—কাম হ'বই।" এই বুলি কৈ, ৰেৱতীৰ কোঠাত থকা সুনন্দিনীৰ ছোৱালী-জনীক বুঢ়ী লিগিৰী চামেলীয়ে এক কুমাৰৰ ঘৰৰ আগত পেলাই থৈ আহিল।

ইমানলৈকে কোৱাৰ অন্তত ৰাজকুঁৱৰী কৌশল্যাই সুন্দৰেশ্বৰলৈ চাই নিশৰদে মিঠাকৈ হাঁহিলে।

"এতিয়া বুজিছেই, মই হ'লোঁ সেই ৰেৱতীৰাণীৰ কন্যাজনী! ৰাণী সুনন্দিনীৰ কন্যাজনী এতিয়াও সেই কুমাৰৰ ঘৰতে ডাঙৰ-দীঘল হৈ আছে। এই অতি অদ্ভুত নাভূত-নাশ্ৰুত ঘটনাটোৰ কথা হঠাৎ এদিন চামেলীবুঢ়ীৰ মুখৰপৰা ওলাল। মই—ৰাণী সুনন্দিনীক কথাটো কৈ দিম বুলি ভাবিও নক'লোঁ এই কাৰণে যে—তেতিয়াহ'লে মোক বিবাহ কৰোঁতাজনে উত্তৰাধিকাৰ সূত্ৰে ৰজা হ'ব নোৱাৰিব।" ৰাজকুঁৱৰী কৌশল্যাই ক'লে।

সুন্দৰেশ্বৰে ইমান সময় ধৰি একমনে ৰাজকুঁৱৰী কৌশল্যাৰ কথা শুনি আছিল অলপো ৰাও-শৰদ নকৰি। কৌশল্যাৰ কাহিনী শুনি তাৰ মন আনন্দেৰে ভৰি পৰিল। বহাৰপৰা থিয় হৈ সুন্দৰে ক'লে, "তোমাৰ কথাৰ সাৰাৰ্থ মই অনুধাৱন কৰিব পাৰিছোঁ। বাৰু, এতিয়া মই আহোঁহে।" এই বুলি কৈয়েই সুন্দৰেশ্বৰ তাৰপৰা হঠাৎ গুচি গ'ল।

পাছদিনা, দুপৰীয়াৰ পৰতে গেৰুৱা পোছাক পিন্ধা এগৰাকী দীঘল দাঢ়ীয়া সন্ন্যাসীয়ে সুনন্দিনীৰ কক্ষৰ দুৱাৰমুখত থিয় হৈ জোৰে জোৰে ক'লে, "জয় পৰমেশ্বৰ! জয় হওক ৰাণীমাতা! মই ভৱিষ্যদ্বক্তা যোগী। কিবা জানিবলগা আছে যদি——ওলাই আহাঁ—হে ৰাণীমাতা!"

সাধুৰ কথাখিনি সুনন্দিনীয়ে শুনিছিল। সুনন্দিনীয়ে তেওঁৰ লিগিৰীহঁতক ক'লে,



"যা—সাধুবাবাক অন্তেষপুৰৰ ভিতৰলৈ লৈ আহগৈ যা। কি কয় শুনোৰেইচোন।"

লিগিৰীহঁতে সাধুবাবাক অন্তেষপুৰৰ অন্দৰমহললৈ লৈ গ'ল।

সাধুবাবাই সুনন্দিনীৰ হাতৰ ৰেখা ভালেমানপৰলৈ চোৱাৰ অন্তত ক'লে, "ৰাণীমাতা! তোমাৰ—তোমাৰ নিশ্চয় মাত্ৰ একেজনী কন্যাসন্তান?"

"এঃ! এই কথা দেখোন দহোখন দেশৰ ৰাইজে জানে। এই কথা ক'বলৈ এগৰাকী হাতচোৱা সাধু লাগিবনে?" ৰাণী সুনন্দিনীয়ে সাধুক জোকাই ল'লে।

সাধুবাবাই এইবাৰ গম্ভীৰ কণ্ঠেৰে ক'লে, "নহয়, ঠিক এই কথাটি ক'বলৈ অহা নাই মই। কথা আন। আৰু গুৰুতৰ বিধৰেই। পিছে যেই কি নহওক—তুমি তোমাৰ ছোৱালীজনীক ইয়ালৈ অলপ মতাই অনোৰাচোন।"

সুনন্দিনীৰ নিৰ্দেশত লগে লগে এজনী লিগিৰীয়ে ৰাজকুঁৱৰী কৌশল্যাক লৈ আহিলগৈ।

কৌশল্যালৈ চাই সাধুবাবাই ক'লে, "এই—এইজনী ছোৱালী? এইজনী তোমাৰজনী নহয়।"

"কি!" সুনন্দিনী বহাৰপৰা থিয় হৈ উঠি সাধুক ক'লে, "কিবোৰ বেবেৰিবাং বলকিছে! মোৰ ছোৱালীজনী যদি মোৰ নহয়—কাৰ তেন্তে?"

সাধুবাবাই কেইক্ষন্তেকমানলৈ চকুযুৰি মুদি, পুনৰ চকু মেলি ক'লে, "তোমাৰ নিজৰ ছোৱালীজনী কুমাৰপাৰাৰ নন্দকুমাৰৰ ঘৰতে ডাঙৰ-দীঘল হৈছে।" এই কথা কোৱাৰ অন্তত সাধুৱে সুনন্দিনীক গুৰিৰে-পৰাই সকলো কথা ভাঙি-পাতি ক'লে।

অপৰিমিত বিস্মিতা ৰাণী সুনন্দিনীৰ নিৰ্দেশত নন্দকুমাৰৰ ঘৰৰপৰা সিহঁতৰ সেই বাটত বুটলি পোৱা তোলনীয়া ছোৱালীজনীক লৈ অহা হ'ল। এই ছোৱালীজনীৰ মুখখন দেখাত যেনিবা সাই-

লাখ সুনন্দিনী। নন্দকুমাৰে ৰাণীৰ প্ৰশ্নৰ উত্তৰত সকলো কথা ভাঙি-পাতি ক'লে।

তেতিয়া—সকলো কথা শুনাৰ পাছত, এই ছোৱালীজনীয়েই যে তেওঁৰ নিজৰ জনী, সেই কথা নিঃসন্দেহে বুজি পাই, ৰাণী সুনন্দিনীয়ে সাধুবাবাক ক'লে, "আপোনাৰ ঋণ জীৱনতো পৰিশোধ কৰিব নোৱাৰিম।"

সাধুবাবাই এই কথাৰ উত্তৰত 'জয় পৰমেশ্বৰে!' বুলি কৈ গুচি গ'ল।

ৰাণী সুনন্দিনীয়ে কুমাৰ-পৰিয়ালক নানাভাৱে পুৰস্কৃত কৰিলে তেওঁলোকৰ এনে বদান্যতাৰ বাবে। ৰজা কুবলয়াশ্বৰে এই ঘটনা শুনাৰ পাছত মন্ত্ৰীপুত্ৰ সুন্দৰেশ্বৰৰ সৈতে জীয়েক কৌশল্যাৰ বিবাহ জাকজমকৰে পাতিলে।

এই কাহিনী কোৱাৰ অন্তত বেতালে বিক্ৰমাদিত্যক সুধিলে, "হে ৰজা, শেষ ভালেই সকলো ভাল। পিছে—সুন্দৰেশ্বৰে হঠাৎ সাধুবাবাৰ ভেশ লৈ এইবোৰ ঘটনাৰ কথা ক'বলগা হৈছিল কিয়? ৰাজকুঁৱৰী কৌশল্যাই স্বয়ম্বৰসভাতো দেখোন মন্ত্ৰীপুত্ৰ সুন্দৰেশ্বৰক পতিৰূপে বৰণ কৰিব পাৰিলেহেঁতেন। কথানো কি? আশা কৰোঁ, সঠিক উত্তৰ দিবা। জানিও যদি সঠিক উত্তৰ নিদিয়া, তোমাৰ মূৰত বজ্ৰপাত হ'ব।"

বেতালৰ কথাৰ উত্তৰত বিক্ৰমাদিত্যাই ক'লে, "বুঢ়ী লিগিৰী চামেলীক ৰাজৰোষৰপৰা ৰক্ষা কৰিবলৈহে সুন্দৰেশ্বৰে সাধুৰ ভেশ লৈ গুপুত কথা সদৰি কৰিছিলগৈ। স্বয়ম্বৰসভাত মন্ত্ৰীপুত্ৰক পতিৰূপে বৰণ কৰি নোৱাৰাহেঁতেন, অন্যান্য দেশৰপৰা অহা ৰাজকোঁৱৰসকলে অপমান পালেহেঁতেন, আৰু তাৰ ফলত যথেষ্ট শত্ৰু সৃষ্টি হ'লহেঁতেন। এইবোৰ কথা ভাবিয়েই জ্ঞানী কৌশল্যাই এই পথ লৈছিল।"

বিক্ৰমাদিত্যাই এই কথা কোৱাৰ লগে লগেই বেতালে শ'টো লৈ পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল। [কল্পিত

চান্দমামাৰ ক্ৰোড়পত্ৰ-২

জ্ঞানভাণ্ডাৰ

এই মাহৰ
ঐতিহাসিক ব্যক্তিত্ব

সুৰদাস

সুৰদাস আছিল এগৰাকী সন্ত-কবি। জন-বিশ্বাস, ১৪৮৪ চনৰ ৯ ডিচেম্বৰৰ তাৰিখে তেওঁ জন্মগ্ৰহণ কৰিছিল। সুৰদাস আছিল অন্ধ। তথাপি কৃষ্ণ আৰু অন্যান্য চৰিত ইমান ধুনীয়া বৰ্ণনাৰে দাঙি ধৰিছিল যে তেওঁক অন্ধ বুলি ভবা টান। তেওঁৰ আছিল যিৰাট অন্তৰ্দৃষ্টি।

কিছুমানৰ মতে : সুৰদাস আগ্ৰা আৰু মথুৰাৰ মাজত থকা ৰুনুকৃতা নামৰ ঠাইত জন্মগ্ৰহণ কৰিছিল। কিছুমানৰ মতেঃ দিল্লীৰ ওচৰৰ ছিহিত। জনশ্ৰুতি. সুৰদাসৰ পিতৃদেৱ আছিল আকবৰৰ সভা-গায়ক। আকৌ অন্য মতে : সুৰদাস আছিল পৃথিৰাজ চৌহানৰ সভাকবি চান্দ বেৰ দাইৰ বংশধৰ। জন-বিশ্বাসঃ সুৰদাসৰ ভাতৃসকল বিদেশী আক্ৰমণকাৰীৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ ওলাই আৰু উভতি নহাত, তেওঁলোকক বিচাৰি ওলাই সুৰদাস এটা কুঁৱাৰ ভিতৰলৈ পৰি গৈছিল আৰু কুঁৱাৰ ভিতৰতে ছ দিন ধৰি কৃষ্ণ-ধ্যানত নিমগ্ন থাকিছিল। তেতিয়াৰপৰা তেওঁ সদা-সৰ্বক্ষণ কৃষ্ণ-গৌৰৱ গাথা গাই থাকিল। তেওঁ মুখে-মুখে গোৱা কৃষ্ণনামৰ গীতৰ সংখ্যা পাঁচ হাজাৰ। এই গীতসমূহক একেলগ কৰি **সুৰসাগৰ** নাম দিয়া হৈছে। যদিও সুৰদাস-ৰচিত গীতৰ সংখ্যা তাতোকৈ অধিক।

কোৱা হয় যে—সুৰদাসে তেওঁৰ পিতৃ-মাতৃৰ সৈতে মথুৰা পৰিদৰ্শন কৰিছিল আৰু মথুৰাৰ বিখ্যাত সন্ত বল্লভাচাৰ্যৰ শিষ্যত্ব গ্ৰহণ কৰিছিল।

তেওঁ কোন ?

শান্ত-ধীৰ প্ৰকৃতিৰ মাজেদি এটি ল'ৰাই দুখন গাঁৱৰ মাজত থকা সেউজবুলীয়া ধাননিৰ বুকুৰেদি গৈ আছিল। তেতিয়া বেলিয়ে লহিয়াইছিল. আৰু অনতিদূৰত থকা শান্ত নৈখনৰ বুকুৰ ওপৰত ওলোমা পশ্চিম আকাশৰ এটুকুৰা সোণোৱালী মেঘৰপৰা মায়াময় পোহৰ পৰিছিল। সমগ্ৰ পৰিবেশ আছিল অতি মনোহৰ। গৈ থকা ল'ৰাটোৱে ৰৈ দিলে তাৰ শান্ত চকুযুৰি দিগন্তলৈ মেলি দি। এনেহেন সুন্দৰৰ দিগন্তলৈ চাই ল'ৰাটিয়ে ঈশ্বৰলৈ প্ৰণতি জনালে।

এজাক চৰাইক উৰি যোৱা দেখি ল'ৰাটি আনন্দত আপ্লুত হ'ল। সি এক অভাৱিত পুলকত জ্ঞানশূন্যৰ দৰে খিয় হৈ থাকিল। তাৰ পাছত বাৰে বাৰে সমাধি-গ্ৰস্ত অৱস্থাৰ সৃষ্টি হোৱা এই ল'ৰাটি এদিন হৈ উঠিছিল এগৰাকী ভুৱন-বিদিত সন্ত মহাপুৰুষ।

তেওঁনো কোন আছিল ?

[উত্তৰ : ৮ পৃষ্ঠাত]

বিজ্ঞানৰ বিমল আনন্দ

চকু-চৰিত

নিৰ্দেশিকা :

পোহৰ যেতিয়া মোটামুটিভাবে উজ্জ্বল হৈ থাকিব, তেতিয়া তোমাৰ বন্ধু এজনক চকুযুৰি মুদিবলৈ কোৱা। একমিনিটমানৰ পাছত পুনৰ চকুযুৰি মেলিবলৈ কোৱা। তোমাৰ বন্ধুজনৰ চকুযুৰিয়ে উজ্জ্বল পোহৰত কিদৰে কি কৰিছে তুমি দেখা পাইছানে বাৰু ?

কি আৰু কিয় হৈছে :

মুদাৰপৰা মুকলিলৈ অহাৰ লগে লগে তোমাৰ বন্ধুজনৰ চকুৰ মণিবোৰ বেছ ডাঙৰ যেন লাগিবলৈ কিন্তু পোহৰৰ পিনে চোৱা মাত্ৰেই পুনৰ সৰু হৈ যাব। চকুৰ মণিৰ চাৰিওফালে থকা ৰঞ্জিত-বৃত্ত, যি-বৃত্তই চকুৰ মণিক চাৰিওফালৰপৰা আগুৰি থাকে, পোহৰ পৰাৰ লগে লগে সেই বৃত্ত কোঁচ খাই পৰে বুলিহে এনেকুৱা ঘটনা ঘটে। বন্ধুজনৰ চকুৰ মণিলৈ স্থিৰ দৃষ্টিৰে চাই থাকিলেই উজ্জ্বল পোহৰত তেওঁৰ চকুৰ মণিৰ এই অভিনৱ প্ৰসাৰণ আৰু সংকোচনৰ ঘটনা পৰিদৃষ্ট হ'ব।

চকুৰ মণিৰ চাৰিওফালে থকা ৰঞ্জিত-বৃত্ত হ'ল কেমেৰাত থকা আটোমেটিক লেন্সৰ দৰে। যেতিয়া পোহৰ কম বা অনুজ্জ্বল হয়, তেতিয়া অধিক পোহৰ আকৰ্ষণ কৰি নিবলৈ বৃত্তটো ডাঙৰ হৈ পৰে। যেতিয়া পোহৰ অধিক তথা উজ্জ্বল হয়, তেতিয়া বৃত্তটোও কোঁচ খাই আহে। এই কথাটো তোমালোকে হয়তো জানা যে—উজ্জ্বল পোহৰত দৃষ্টি স্থিৰ নোহোৱালৈকে চকুযুৰিয়ে সাময়িকভাৱে একো নমনা হয়।

মেকুৰীৰ চকুৰ বৃত্তটোৱা মানুহৰ চকুৰ বৃত্তৰ দৰেই কাম কৰে ; কিন্তু একেটা পদ্ধতিৰে নহয়। ভালকৈ লক্ষ্য কৰিলে দেখিবা যে মেকুৰীৰ চকুৰ মণি মানুহতকৈ বেলেগ আৰু তাৰ কাৰ্য্যকাৰিতাও অলপ বেলেগ ধৰণৰ।

কুকুৰৰ চকুৰ ৰঞ্জিত-বৃত্তও মেকুৰীৰ দৰে একেইনে? এই কথাটো তুমি নিজেই আৱিষ্কাৰ কৰাচোন!

অবাক পৃথিৱীৰ আচৰিত বস্তু

[যোৱা সংখ্যাত আমি পিৰামিডৰ বিষয়ে কৈছিলোঁ।]

বেবিলনৰ শূন্যোদ্যান

পৌৰাণিক উপাখ্যান মতে: ছেমিৰামিছ আছিল আছীৰীয় ৰাজকুঁৱৰী। তেওঁ আছিল মৎস্য-দেৱী-আতাৰগাতিছৰ কন্যা। ৰাজকুঁৱৰী ছেমিৰামিছক কপৌবিলাকে তুলি-তালি ডাঙৰ-দীঘল কৰিছিল। ছিৰিয়াৰ ছুলতানৰ ভেড়া-ৰখীয়াই ছেমিৰামিছক দেখা পাই লৈ গৈছিল আৰু পালন কৰিছিল। তাৰ পাছত এদিন ছুলতানে ছেমিৰামিছক বিয়া কৰালে, আৰু ছুলতানৰ মৃত্যুৰ পাছত ছেমিৰামিছে নিজেই ছুলতানা হৈ দেশৰ শাসন ভাৰ গ্ৰহণ কৰিলে। ছুলতানা ছেমিৰামিছে বহু দেশ জয় কৰিছিল। কিন্তু তেওঁ বহু চেষ্টাতো ভাৰত বিজয় কৰিব নোৱাৰিছিল।

ছুলতানা ছেমিৰামিছে বহুতো কীৰ্তি-স্তম্ভ আৰু দুৰ্গম পাৰ্বত্য অঞ্চলৰ মাজেদি ৰাজআলি নিৰ্মাণ কৰিছিল। বেবিলনৰ মনমোহা উদ্যানৰ তেৱেঁই নিৰ্মাতা বুলি কোৱা হয়। শূন্যত ওলমি থকা বেবিলনৰ এই উদ্যানক 'বেবিলনৰ শূন্যোদ্যান' বুলি অভিহিত কৰা হয়। ই পৃথিৱীৰ এক আশ্চৰ্য্য বস্তু।

এই উদ্যানসমূহ প্ৰতি দিশত ৭০০ ফুটকৈ চাৰিচুকীয়া বা সমচতুৰ্ভুজ ৰূপে সজোৱা হৈছিল আৰু আছিল খুব ওখ। উদ্যানসমূহ অসংখ্য স্তম্ভৰ ওপৰত প্ৰতিষ্ঠিত হৈছিল। জলসিঞ্চনৰ অপূৰ্ব ব্যৱস্থা থকা বাবে উদ্যানসমূহৰ সদা-সৰ্বক্ষণ সেউজীয়া হৈ থাকিছিল।

যিশুখ্ৰিষ্টৰ জন্মৰ আঠ শ বছৰৰ আগতে ছেমিৰামিছে ছিৰিয়াত ৰাজত্ব কৰিছিল।

আন কিছুমানৰ মতে: বেবিলনৰ শূন্যোদ্যান নিৰ্মাণ কৰিছিল—খ্ৰিষ্টপূৰ্ব ৬০০ বছৰৰ আগৰ আছিৰিয়াৰ ভুৱনবিদিত ছুলতান নেবুচাদ্‌নেজাৰে।

কোৱা হয় যে, পাৰ্বত্য অঞ্চলৰপৰা অহা তেওঁৰ ৰাণী এগৰাকীয়ে পৰ্বতত থকাৰ দৰে সেউজৰ সমাৰোহৰ অভাৱৰ কথা কোৱাত ছুলতান নেবুচাদ্‌নেজাৰে ছুলতানাক তুষ্ট কৰিবলৈ এই শূন্যোদ্যান নিৰ্মাণ কৰাইছিল।



অতীতৰ আশ্চৰ্য্য ঘটনা

সুপ্ৰাচীন চীন দেশ

পৃথিৱীৰ ইতিহাস অসংখ্য ঘটনাৰ ওপৰত নিৰ্ভৰ কৰি গঢ়ি উঠিছে। বিখ্যাত পৰিব্ৰাজক সকলৰ ঘটনাৱলীও তাৰ অন্যতম।

অতীতৰ দিনত পৰিভ্ৰমণ আছলি অতি কষ্টকৰ তথা বিপদজনক। কিন্তু অতীত-কালৰ পৰিভ্ৰমণ যে আজিৰ দিনৰ পৰি-ভ্ৰমণতকৈ অনেক উত্তেজক আছিল. সেই কথাত সন্দেহ নাই। তেতিয়াৰ দিনৰ পৰিব্ৰাজকসকলে আজিৰ দৰে কেৱল মনৰ আনন্দ বা সৌন্দৰ্য্য-দৰ্শনৰ বাবে পৰিভ্ৰমণ কৰা নাছিল। তেতিয়াৰ দিনত বণিজৰ বা জ্ঞানৰ সমল বিচাৰি পৰিভ্ৰমণ কৰিছিল।

সপ্তম শতিকাত চীনদেশৰপৰা এগৰাকী মহান জ্ঞানী পুৰুষ ভাৰতলৈ আহিছিল। তেওঁৰ নাম আছিল হিউৱেন ৎছাং। তেওঁ আছিল বৌদ্ধ ধৰ্মাৱলম্বী আৰু বৌদ্ধধৰ্মৰ বিষয়ে অধিক জ্ঞান আহৰণ কৰিবলৈহে সুদূৰ চীনদেশৰপৰা ভাৰতলৈ আহিছিল। তেওঁ তাহানিৰ ভাৰতবৰ্ষৰ বিষয়ে অতি মূল্যৱান বিবৰণ লিপিবদ্ধ কৰিছিল।

তেওঁ ৰিপদজনক গোবি মৰুভূমি পাৰ পাৰ হৈ আহোঁতে মৃত্যুৰপৰা কাণে কাণ মাৰি সাৰিছিল আৰু 'তাৰফান নামৰ আশ্চৰ্য্য-সুন্দৰ ডাঙৰ নগৰ পাইছিলহি।

ৰ সেই মহান পৰিব্ৰাজক

'তাৰফান' নগৰ তেতিয়াৰ দিনত আছিল সংস্কৃত আৰু বৌদ্ধধৰ্মৰ প্ৰভাৱ পৰা এক মহান সাংস্কৃতিক ঠাই (এই নগৰ এতিয়াও আছে, কিন্তু সেই গুণ আৰু নাই)।

হিউৱেন ৎছাং ভাৰতবৰ্ষৰ মাটি ভৰি দি অতিশয় আনন্দিত তথা বিমোহিত হ'ল— তদানীন্তন ভাৰতৰ বৌদ্ধ-সংস্কৃতি আৰু সাধাৰণ সংস্কৃতিৰো এই বহু-ৰূপ দেখি। তেতিয়া ভাৰতবৰ্ষৰ এক সুবিশাল অঞ্চলত মহান নৃপতি হৰ্ষবৰ্ধনৰ ৰাজত্ব।

চীনদেশৰ এই মহান পৰিব্ৰাজক হিউৱেন ৎছাঙৰ বিষয়ে ভাৰতৰ অন্যতম সুসন্তান পণ্ডিত জৱহৰলাল নেহৰুৱেও তেওঁৰ 'গ্লিম্পছেছ অৱ ৱাৰ্ল্ড হিষ্টৰি' নামৰ গ্ৰন্থত তেওঁৰ কথা লিপিবদ্ধ কৰি থৈছে। পণ্ডিত জৱহৰলাল নেহৰুৱে হিউৱেন ৎছাঙৰ সম্পৰ্কে তাত লিখিছে:

"তেওঁ আছিল এগৰাকী ধাৰ্মিক বৌদ্ধ। তেওঁ বুদ্ধৰ স্মৃতি জড়িত হৈ থকা ভাৰতৰ পবিত্ৰ ঠাইসমূহ পৰিদৰ্শন কৰিছিল আৰু বৌদ্ধ শাস্ত্ৰসমূহৰপৰা জ্ঞান আহৰণ কৰিবলৈ ভাৰতবৰ্ষলৈ আহিছিল। সুবিস্তীৰ্ণ গোবি মৰুভূমি অতিক্ৰমি. ভালেমান নগৰ, যেনে. তাসখন্দ, বল্‌খ. খোটান আৰু ইয়াৰখন্দ পাৰ হৈ তেওঁ বহু কষ্ট কৰি ভাৰতলৈ আহিছিল। তেওঁ সমগ্ৰ ভাৰতবৰ্ষ, আৰু সম্ভৱতঃ সিংহল দ্বীপও পৰিদৰ্শন কৰিছিল। তেওঁ লিপিবদ্ধ কৰা গ্ৰন্থৰ যোগেদি আমি তৎকালীন ভাৰতবৰ্ষৰ বিভিন্ন অঞ্চলৰ জনসাধাৰণৰ পুংখানুপুংখ বিবৰণ পাওঁ, যি-বিবৰণ আজিও সমভাৱেই সত্য যেন লাগে। তেওঁ বুদ্ধ আৰু বোধিসত্ত্বৰ সম্পৰ্কে অসংখ্য অলৌকিক তথা অতি আকৰ্ষণীয় কাহিনী আমাক কৈ গৈছে। এইবোৰ কাহিনী তেওঁ ভাৰতৰ বিভিন্ন ঠাইৰ ৰাইজৰ মুখৰপৰা সংগ্ৰহ কৰিছিল।

"তেওঁ বহু কাল ভাৰতত অতিবাহিত কৰিছিল, বিশেষকৈ পাটলিপুত্ৰৰ অনতিদূৰত—ভুৱনখ্যাত নালন্দা বিশ্ববিদ্যালয়ত। নালন্দা আছিল বৌদ্ধমঠ তথা বিশ্ববিদ্যালয়ৰ সমাহাৰ। নালন্দা বিশ্ববিদ্যালয়ৰ ছাত্ৰাবাসত ১০,০০০ ছাত্ৰ তথা বৌদ্ধভিক্ষু আছিল। বাৰাণসী, অৰ্থাৎ কাশীৰ ব্ৰাহ্মণ্য বিদ্যাৰ বিপৰীতে নালন্দা আছিল বৌদ্ধ-বিদ্যাচৰ্চাৰ এক উল্লেখনীয় মহান ঠাই।"

ভাৰতৰ অতীতলৈ জুমি চাওঁ আহাঁ

১. দিল্লীৰ হিন্দু নৃপতিৰ নাম কি ?

ক) এই হিন্দু নৃপতি সম্পর্কে জনশ্রুতি কি ?

খ) কোনজনহিন্দু ৰজা তেওঁৰ শত্রু হৈ উঠিছিল

গ) এই শত্রু ৰজাজনৰ পৰিণতি কি হৈছিল ?

২. দিল্লীৰ কোনগৰাকী শাসকে মৃত্যুশয্যাত তেওঁৰ জীয়েকক উত্তৰাধিকাৰী শাসক পাতি গৈছিল ?

ক) সেই জীয়েকজনীৰ নাম কি ?

খ) তেওঁ কাক বিবাহ কৰাইছিল ?

গ) এইহাল দম্পতিৰ পৰিণতি কি হৈছিল ?

৩. ১৮ শতিকাত কোনে দিল্লী আক্রমণ কৰি ৩০,০০০ অধিবাসীক হত্যা কৰিছিল ?

ক) তেতিয়া দিল্লীৰ শাসক কোন আছিল ?

খ) তেওঁ লৈ যোৱা বিখ্যাত সিংহাসনখনৰ নাম কি আছিল ?

গ) তেওঁ অন্যান্য মূল্যবান সামগ্রী — কি কি আৰু কেনেকৈ লৈ গৈছিল ?

আমাৰ সাধাৰণ জ্ঞানৰ সাত-সোতৰ

১. ১৯৮৮ চনত ভাৰতৰ এখন ৰেল-ষ্টেশ্যনে তাৰ শতবাৰ্ষিকী উদযাপন কৰিলে। ষ্টেশ্যনখনৰ নাম কি ? এই নামকৰণ কিয় কৰা হৈছিল ?

২. এগৰাকী বিখ্যাত পাশ্চাত্য-পণ্ডিতক 'হেমলক' বিষ পান কৰিবলৈ দিয়া হৈছিল। তেওঁ কোন আছিল ? হেমলক পান কৰি তেওঁৰ কি অৱস্থা হৈছিল ?

৩. স্বাধীন হোৱাৰ আগতে 'ঘানা'ৰ নাম কি আছিল ?

৪. 'জাতীয়তাবাদী চীন'ৰ প্রকৃত নাম কি ?

৫. কোনবোৰ দেশক বিনেলাক্স দেশ বুলি অভিহিত কৰা হয় ?

৬. পৃথিৱীৰপৰা জোনৰ দূৰত্ব কিমান ?

৭. 'কছমিক ইয়াৰ' বুলিলে কি বুজা ?

৮. পৃথিৱীৰ আটাইতকৈ ডাঙৰ দেশ কোনখন ?

৯. পৃথিৱীৰ ক্ষুদ্রতম ৰাজ্য কোনখন ?

১০. হাতীপটি মানে কি ?

[উত্তৰঃ ৮পৃষ্ঠাত

১. ১৯১২ চনত আৱিষ্কৃত হোৱা সুপ্ৰাচীন সংস্কৃত নাট্যকাৰ কোন আছিল ?

ক) কোনে আৰু ক'ত সেই নাট্যকাৰগৰাকীৰ হেৰাই যোৱা নাটকসমূহ আৱিষ্কাৰ কৰিছিল ?

খ) সেইসমূহ সংখ্যাত কিমান ?

২. মৃত্যুৰ ৰহস্যৰ বিষয়ে যমক সোধা সৰু ল'ৰাটি কোন আছিল ?

ক) এই কাহিনী ক'ৰপৰা পোৱা হৈছিল ?

খ) এই গ্ৰন্থখনৰ নামৰ অৰ্থ কি ?

৩. বাল্মিকী-ৰচিত ৰামায়ণৰ অতি বিখ্যাত দুখন ভাষান্তৰৰ নাম কি ?

৪. জনপ্ৰিয় কাহিনীত সৰাতোকৈ অধিক উল্লেখিত প্ৰাচীন ৰজা কোন ?

খ) সেই কাহিনীসমূহৰ নাম কি ?

ক) সেই কাহিনীসমূহৰ উৎস কি ?

ভাৰতৰ সকলো ভাষাত এটা শব্দ আমি শিকোঁ আহাঁ

অসমীয়া : মানুহ ; বাংলা : মানুষ ; ইংৰাজী : ম্যান ; গুজৰাটি : মানাষ ; হিন্দী : আদমী ; কন্নড় : মনুষ্য ; কাশ্মীৰী : মাহানিউ ; মালায়ালাম্ : মনুষ্যান্ ; মৰাঠী : মানুষ ; ওড়িয়া : মণিষ ; পঞ্জাবী : মানুখ ; সংস্কৃত : মানৱ ; সিন্ধি : মানহুন ; তামিল : মানিদান ; তেলুগু : মনীষী ; উৰ্দু : আদমী।

বিশ্বাস কৰানে ?

১. সমগ্ৰ ৰামায়ণ বাল্মীকীয়ে ৰচনা কৰিছিল ?

২. ফ্ৰাংকেস্টাইন সঁচাসঁচিকৈ এটা দানৱ আছিল ?

৩. পৃথিৱীৰ সকলো প্ৰাণীৰ মাজত ডায়নছ'ৰেই অতিকায় ?

এ—নহয়!

১. এই বিৰাট মহাকাব্যত থকা সীতাৰ বনবাস বৰ্ণোৱা উত্তৰকাণ্ড আন কোনোবা কবিয়ে লিখা। বেলেগ ধৰণে লিখা কবিগৰাকীও ডাঙৰেই আছিল।

২. মাৰী শেলি-ৰচিত এই নামৰ উপন্যাসৰ নায়কে মৃত মানুহৰ অংগ-প্ৰত্যংগ যোৰা লগাই তাত প্ৰাণ সঞ্চাৰ কৰিছিল। এই জীৱিত মৃতদেহই পাছত দানৱৰ ৰূপ লৈ তাৰ স্ৰষ্টাজনাকে বধ কৰিছিল। এইদৰে, ফ্ৰাংকেস্টানেই হৈ উঠিছিল দানৱৰ প্ৰতীক।

৩. পৃথিৱীৰ আটাইতকৈ অতিকায় প্ৰাণী ব্লু হোৱেল—নীল বৰণীয়া তিমি—অদ্যাপি বৰ্তি আছে। ই দীঘলে ত্ৰিছ মিটাৰ আৰু ওজন ১৭৫ টন।

উত্তৰসমূহ

তেওঁ কোন ?

শ্ৰীৰামকৃষ্ণ পৰমহংস। প্ৰথম জীৱনত গদাধৰ নামেৰে জনাজাত আছিল

ইতিহাস

১. পৃথিৰাজ চৌহান।

ক) তেওঁ সংযুক্তাক বিয়া কৰাইছিল সয়ংম্বৰসভাৰেপৰাই সংযুক্তাক তেওঁ ঘোঁৰাত উঠাই লৈ গৈছিল।

খ) জয়চন্দ্ৰ হ'ল কনৌজৰ ৰজা আৰু সংযুক্তাৰ পিতৃ।

গ) মুহম্মদ ঘোৰীৰ লগত জয় চন্দ্ৰই দিল্লী আক্ৰমণৰ ষড়যন্ত্ৰ কৰিছিল। মুহম্মদ ঘোৰীক পৃথিৰাজে পৰাজিত আৰু বন্দী কৰি পাছত মুক্ত কৰিছিল। ১১৯২ চনত অপমানিত ঘোৰীয়ে পুনৰ দিল্লী আক্ৰমণ কৰি পৃথিৰাজক পৰাজিত তথা হত্যা কৰাৰ পাছত জয়চন্দ্ৰকো হত্যা কৰি কনৌজ অধিকাৰ কৰিছিল।

২. ইল্‌তুত্‌মিচ

ক) ৰাজিয়া ছুলতানা

খ) আল্‌তুনিয়াৰ নেতৃত্বত উচ্চপদস্থ লোকসকলে এই ৰাজিয়াৰ বিৰুদ্ধে বিদ্ৰোহ কৰিছিল। কিন্তু নাটকীয়ভাৱে ৰাজিয়াই ইল্‌তুতমিছক বিবাহ কৰাই বিদ্ৰোহৰ অন্ত পেলাইছিল।

গ) সেই বিদ্ৰোহী উচ্চপদস্থসকলে দুয়োকো হত্যা কৰিছিল।

৩. পাৰস্যদেশৰ নাদিৰশ্বাহ

ক) মোগল বংশৰ মুহম্মদশ্বাহ।

খ) ময়ুৰ-সিংহাসন

গ) কোহ্‌-ই-নূৰ নামৰ বিখ্যাত হীৰা। মোগল বাদশ্বাহই তেওঁৰ পাগৰ ভিতৰত এই হীৰা লুকাই থৈছিল। নাদিৰশ্বাহই মূৰৰ পাগ বিনিময়ৰ প্ৰস্তাৱ দিছিল আৰু এইদৰে অমূল্য কোহ-ই-নূৰ লাভ কৰিছিল।

সাধাৰণ জ্ঞান

১. ভিক্টোৰিয়া টাৰ্মিনাছ। ৰাণী ভিক্টোৰিয়াৰ নামত।

২. পণ্ডিতগৰাকী আছিল ছক্ৰেটিছ। হেমলক বিষ পান কৰি তেওঁ মৃত্যুবৰণ কৰিছিল।

৩. গ'ল্ড কোষ্ট্

৪. তাইৱান বা ফৰমোজা

৫. বেলজিয়াম, নেদাৰলেণ্ডছ আৰু লুক্সেমবুৰ্গ

৬. ২৩৮, ৪৫৫ মাইল

৭. ছেকেণ্ডপ্ৰতি ২৫০ কিলমিটাৰ গতিৰে আমাৰ হাতীপটিৰ চাৰিওফালে এপাক মাৰি আহোঁতে সূৰ্য্যই ২৫০ মিলিয়ন বছৰ লয়। এই সময়চোৱাকে কছ্‌মিক ইয়াৰ বোলে।

৮. ছোভিয়েত ৰুছিয়া

৯. মাধ্যাকৰ্ষণৰ প্ৰাভৱত নক্ষত্ৰৰাজি বিৰাটভাৱে সন্নিলিত হয়।

সাহিত্য

১, ভাস—খ্ৰিষ্টপূৰ্ব ৫ম বা ৬ষ্ঠ শতিকাত আছিল।

ক) কেৰালাত পণ্ডিত গণপতি শাস্ত্ৰীয়ে আৱিষ্কাৰ কৰিছিল।

খ) তেৰ।

২, নচিকেতা

ক) উপনিষদসমূহৰ মাজত এখনত।

খ) উপনিষদৰ আক্ষৰিক অৰ্থ হ'ল 'কাষ চাপি বহা'। ভিতৰুৱা অৰ্থ হ'ল—গুৰুৰ কাষ চপাৰ যোগ্যতা থকা শিষ্যক শিক্ষা দান।

৩, তামিল ভাষাত কম্বন-ৰচিত ৰামায়ণ আৰু হিন্দীত তুলসীদাস-ৰচিত ৰামচৰিতমানস।

৪, ৰজা বিক্ৰমাদিত্য

ক) বেতালপঞ্চবিংশতি

খ) কথাসৰিৎসাগৰ



কাব্য-কথা

মণি-মঞ্জৰী-২

পুম্পুহৰ নগৰৰ ব্যৱসায়ীৰ পুত্ৰ কোভালানে জাহাজ-ব্যৱসায়ীৰ কন্যা কন্নকিক বিবাহ কৰালে। তাত মাধৱীৰ নৃত্য প্ৰদৰ্শন কৰা হ'ল। ৰজাই ভাল পালে।

মাধৱীৰ নৃত্য-পটুতাৰ বিষয়ে কাৰো মনত কোনো প্ৰকাৰৰ সন্দেহ নাথাকিল। নৃত্য-অনুষ্ঠানৰ অন্তত প্ৰতিজনেই হাত-চাপৰিৰে মাধৱীৰ অসামান্য নৃত্যৰ শলাগ ল'লে। প্ৰায় সকলোটিয়েই মাধৱীলৈ অভিনন্দন জ্ঞাপন কৰিলে।



ৰজাই মাধৱীলৈ একসহস্ৰ স্বৰ্ণ-মুদ্ৰা উপহাৰ হিচাপে আগবঢ়ালে। ইমান স্বৰ্ণ-মুদ্ৰা পাই মাধৱী অতি অবাক হ'ল। মাধৱী প্ৰায় বাক্যহাৰা হৈ পৰিল। এনেহেন উপহাৰ কেৱল অনন্য-সাধাৰণ প্ৰতিভাকহে দিয়া হৈছিল।

সেইকালৰ প্ৰথা অনুসাৰে মাধৱীয়ে তাইৰ সংগিনীহঁতক ধনীসকল যোৱা বাটৰ একাষত একাষৰীয়া হৈ বৈ থাকিবলৈ ক'লে। ৰজাই উপহাৰ প্ৰদান কৰা সেউজীয়া পাতৰ মালাধাৰ হাতত লৈ মাধৱীও বাটৰ কাষত সসম্ভ্ৰমে থিয় হৈ থাকিল।

এই সেউজ- পাতৰ মালাধাৰি যিজনে এহেজাৰ স্বৰ্ণ-মুদ্ৰাৰে কিনি ল'ব, সেই-জনেই হ'ব মাধৱীৰ প্ৰভুসম। সেই-জনে বিনা প্ৰশ্নে মাধৱীৰ নৃত্য-গীত উপভোগ কৰিব পাৰিব। মাধৱীৰ নৃত্য চাই বিমুগ্ধ কোভালানে মালাধাৰি এক সহস্ৰ স্বৰ্ণ-মুদ্ৰাৰে কিনি ল'লে।



মাধৱীৰ সংগিনীহঁতৰ লগত কোভালান মাধৱীৰ ঘৰলৈ গ'ল আৰু অপূৰ্ব ৰূপৱতী মাধৱীৰ আগত ৰ'লগৈ। মাধৱীয়ে কোভালানক সুৰলা-সুৰদী গীত গাই শুনালে আৰু মুখৰ মেহাৰেৰে আদৰিলে। কোভালান অত্যন্ত বিমুগ্ধ হ'ল।

বিমুগ্ধ কোভালানে মাধৱীক ভাল পাই পেলালে। মাধৱীয়েও কোভালানক স্বামী হিচাপেই গণ্য কৰিলে। আৰু সিঁহত দুয়ো পৰস্পৰৰ প্ৰতি ইমান আকৰ্ষণ অনুভৱ কৰিলে যে—সিঁহত দুয়ো পৃথিৱীৰ আন সকলো পাহৰি নিজ নিজ প্ৰেমতে মগ্ন হৈ থাকিল।
দুয়ো আনন্দৰে নগৰত প্ৰায় দূৰাগত কৌতূহলী বিদেশীৰ দৰে ঘুৰি ফুৰিবলৈ ধৰিলে। পুম্পুহৰ নগৰত বহুতো বিস্ময়কৰ দৰ্শনীয় বস্তু আছিল। এই দৰ্শনীয়সমূহৰ অন্যতম আছিল এটি জাদু-স্তম্ভ। সাপেখোটা, ভূতে পোৱা বা বলিয়া হোৱা লোকসকলে এই স্তম্ভ স্পৰ্শ কৰিলেই হেনো ভাল হৈ উঠিছিল।
নগৰৰ এক নিৰল ঠাইত এক প্ৰস্তৰ মূৰ্তি আছিল। দেশৰ ৰজাই অজ্ঞানে বা সজ্ঞানে অবিচাৰমূলক কিবা কৰিলেই এই প্ৰস্তৰ মূৰ্তিৰ চকুৰপৰা চকুলো ওলাইছিল। তাৰ ফলত ৰজা আৰু ৰজাৰ লগে লগে ৰাইজেও অন্যায় অবিচাৰৰ কথা জানিব পাৰিছিল আৰু ৰজা সততে সাৱধান হৈ থাকিছিল।



পুম্পুহৰ নগৰত থকা এটা বিশেষ সৰোবৰৰ পানীত স্নান কৰিলেই পীড়িত লোকসকল ভাল হৈ উঠিছিল. কলাই কাণেৰে শুনিব পৰা হৈছিল, বোবাই মাত-বোল কৰিব পৰা হৈছিল। এই-বোৰ চাই চাই, ঘূৰি ফুৰি, কোভালানে তেওঁৰ সাঁচতীয়া ধন ব্যয় কৰি পেলালে।

ৰাতিৰ পৰতে পুম্পুহৰ নগৰীৰ ওপৰেদি মিঠা মিঠা জুৰ বতাহ বলি থাকে। গ্ৰিছ আদি নানান দেশৰপৰা কত যে জাহাজে নঙৰ পেলায়হি! আৰু কোভালান-মাধৱীয়ে, মাছমৰীয়াইতৰ ডাঙৰ ডাঙৰ নাৱৰপৰা ওলোৱা জিকমিক পোহৰ বাৰান্দাত থিয়ৈ থিয়ৈ উপভোগ কৰে।





এইদৰে, কোভালান আৰু মাধৱী যেতিয়া মহাসুখত মগ্ন, তেতিয়া কন্নকিৰ হৃদয়-মন প্ৰায় ভগ্ন। কিন্তু কন্নকিয়ে তাইৰ স্বামীৰ এনেবোৰ গুপ্ত কথা কাকো কোৱা নাছিল। কন্নকিয়ে তাইৰ গাত থকা আ-অলংকাৰখিনি বেচি, কথমপি ঘৰখন চলাই আছিল। [চলি থাকিব]



৩-অৰ ৰং

ৰণজয় আৰু তাৰ ঘৈণীয়েক ৰণ্‌জিতা দুয়ো গৈছিল হাটলৈ। ইটো দৰাই সিটো দৰাই বহুতো কিবাকিবি কিনি লৈ মোনাত ভৰাই গধূলি হোৱাৰ আগে আগেই দুয়ো পুনৰ ঘৰমুৱা হ'ল।

কিন্তু আকাশত মেঘে গাজিলে, ক'লীয়া ডাৱৰে ডাকিলে. আৰু ৰণ্‌জয়-ৰণজিতাই ধূমুহা-বৰষুণৰ আগজাননী দেখি বৰ ভয় খালে। ঘৰ—তেতিয়াও চাৰি ক্ৰোশৰ বাট।

সিহঁতহালে খোজ দিছিল খুবেই খৰকৈ; কিন্তু আকাশেও গাজি আছিল বৰকৈ। হেঁপাই-ফোঁপাই খোজ দি দি সিহঁতহাল হঠাৎ এঠাইত ৰ'ল। সেই ঠাইত এটা এৰাবাৰী আছিল। বৰষুণো আহোঁ আহোঁ হৈছিল। গতিতে—ৰণজয়-ৰণ্‌জিতাই ধূমুহা-বৰষুণৰ হাত সাৰিবলৈ সেইটো ঘৰতে সুৰুক্‌কৈ সোমালগৈ।

সোমাই—এটা কোঠাৰ এচুকত মোনা-তোনাবোৰ সামৰি-সুতৰি থৈ মজিয়াতে দুয়ো বহি দিলে। আৰু ঠিক তেতিয়াই বৰষুণেও ডবা পিটিবলৈ ধৰিলে।

বৰষুণো যে বৰষুণ! আৰু এন্ধাৰো যে এন্ধাৰ! ভাবিলে ৰণজয়েঃ ইমান ধুমুহা-বৰষুণৰ মাজত আৰু বিশেষকৈ ইমান ঘুটঘুট এন্ধাৰত খোজ দিমনো কেনেকৈ? ধুমুহাৰো বিৰাম নাই, বৰষুণৰো বিশ্ৰাম নাই আৰু আমাৰো আৰাম নাই।

এইদৰে, একেলালীয়ে এঘণ্টামান চলি থাকিল। তাৰ পাছত বৰষুণে জিৰণি ল'লে. ধুমুহায়ো ধূম-ধুপাল এৰিলে।

কিন্তু—তেতিয়া চাৰিওফালে আৰম্ভ হ'ল ভেকুলীৰ টোৰটোৰণি, শিয়ালৰ

ত্ৰিলোক তামুলী

হোৰা। ভয়ৰ কোবত সিহঁতহালৰ জিভা শুকাই মুখতে লুকাই যোৱা যেন লাগিল।

আৰু এনেতে—হঠাৎ এক তীব্ৰ পোহৰে সিহঁতহালৰ চকুত জলক-তবক লগাই দিলে। সিহঁতহালে চকু দুহাল জোৰেৰে মুদি দিলে। তাৰ পাছত—চকু মেলি চায়েই ভয়তে ঠৰ! সিহঁতৰ চকুৰ আগত থিয় হৈ আছে তিনিটা ভূত!

এটা ভূতে সিহঁতহালক ক'লে, "আমাক ভয় নকৰিলেও হ'ব। কিয়নো—আমি ৰাক্ষস নহওঁ, মুঠেই ভূতহে। আমি মানুহ ধৰি নাখাওঁ। এনেয়ে—এতিয়া তো কৰিবলগা আন একো নাই, বুলিহে—আমি তোমালোকৰ সৈতে খেল-ধেমালি কৰিম।"

ভূতৰ মুখত খেল-ধেমালিৰ কথা শুনি ৰণজয়-ৰণজিতাই বেছিকৈহে ভয় খোৱা হ'ল। আৰু এনেতে নিমজ অন্ধকাৰ কোঠাটো হঠাৎ পোহৰেৰে ভৰি গ'ল।

এটা ভূতে ৰণজয়ক ক'লে, "শুনা, আমাৰ কথা মনপুতি শুনিবা, নহ'লে পাছত মান নাথাকিব তোমাৰ। আমি তিনিও তোমাৰ পৰিবাৰৰ ৰূপ ল'ম। তেতিয়া তোমাৰ আচল পৰিবাৰ আৰু আমি—দেখাত হুবহু একেই হৈ পৰিম। তুমি চাৰিজনীৰ মাজৰপৰা তোমাৰ নিজৰ আচলজনীক বিচাৰি উলিয়াবা। এয়ে হ'ল আমাৰ খেল। নকৰা চেলবেল।"

লগে লগে পুনৰ কোঠাটো অন্ধকাৰ হৈ পৰিল। কিন্তু মুহূৰ্ত্তমানৰ পাছতে আকৌ পোহৰ হ'ল। তেতিয়া—সেই পোহৰৰ মাজত থিয় হৈ আছিল চাৰিজনী ৰণ্জিতা। সাইলাখ একেই। কোনজনী তাৰ আচল পৰিবাৰ—ৰণজয়ে একোপধ্যে ঠাৰৰ কৰিব নোৱাৰিলে।

প্ৰতিজনীয়েই আচল ৰণ্জিতাৰ দৰে ওঁঠ কামুৰিলে, দাঁতেৰে আঙুলিৰ নখ কাটিলে, হুমুনিয়াহ কাঢ়িলে। ৰণজয়ে কথা-কাণ্ড চাই-মেলি নিজৰ পৰিবাৰক নিজে বিচাৰি উলিওৱাৰ ৰণত ভংগ দিলে।

তেতিয়া ভূতবিলাকে আকৌ আগৰ ৰূপ ধাৰণ কৰিলে। সিহঁত তিনিটা আকৌ ভূতেশ্বৰ হ'ল। ৰণ্‌জিতাই ৰণজয়ক ক'লে, "ঘৰলৈ যাবা নে নাই ?" হতবাক হৈ পৰা ৰণজয়ে ৰণ্‌জিতাৰ এই প্ৰশ্নৰ কোনো উত্তৰ দিব নোৱাৰিলে।

তেতিয়া এটা ভূতে হাঁহি মাৰি ৰণজয়ক ক'লে, "ভয় নকৰা ভাই, এইজনীয়েই আচল জনীইয়েই হ'ল তোমাৰ তাই।"

তাৰ পাছত ভূত তিনিটাই ৰণ্‌জিতাক ক'লে, "এইবাৰ তোমাৰ পাল। আমি তিনিও তোমাৰ গিৰিয়েৰাৰ ৰূপ ল'ম। তুমি চাৰিজনৰ মাজৰপৰা তোমাৰ আচলজনক বিচাৰি উলিয়াবা।"

ৰণ্‌জিতাই একো নো ক'বলৈ পাওঁতেই ঘৰটো পুনৰ এন্ধাৰতে ডুব গ'ল আৰু মুহূৰ্তমানৰ পাছত পুনৰ পোহৰ হ'ল। সেই পোহৰৰ মাজত চাৰিজন ৰণজয়ক দেখা পাই ৰণ্‌জিতাই ঢেলুকা-ঢেলুক হ'ল।

ৰণ্‌জিতাই অলপ পৰলৈ ভেবা লাগি চাই থকাৰ পাছত ভূতবিলাকক উদ্দেশি ক'লে, "চাওক, মোক তেওঁ সন্ধহতে কি গহনা দিলে ? আঙঠিনে খাৰুনে কঁৰীয়ানে নাকবালিনে চিপাটমণিনে—কি ? মুখেৰে নক'ব, হাতেৰে লিখি দেখুৱাব। তেতিয়া মই ক'ব পাৰিম—কোনজন মোৰজন।"

এটা ভূতে কৈ উঠিল, "তুমি বৰ চালাক দেখিছোঁ। নহ'লে— হাতেৰে লিখিবলৈ নক'লাহেঁতেন। তোমাৰ গিৰিয়েৰাৰ হাতত তিল বা আচিনাই জাতীয় নিশ্চয় কিবা আছে, যাৰে তুমি তেওঁক চিনি উলিয়াব পাৰিবা। কিন্তু সেই চালাকি নচলিব।"

"মিছাৰে মোক সুধুৰিবা। আৱশ্যক হ'লে—তোমালোকে তেওঁৰ হাত দুখন পৰীক্ষা কৰি চাব পাৰা।" ৰণ্‌জিতাই ভূতবিলাকক ক'লে।

"তেনেহ'লে—তোমাৰ নিশ্চয় আন কিবা মতলব আছিল। তুমি গহনাৰ

চিনাকিৰেহে তোমাৰ গিৰিয়েৰাক বিচাৰি উলিয়াব খুজিছা। যি কি নহওক, মই নিজৰ চিনাকি দিলোঁৱেই, মই বাদ। কিন্তু বাকী তিনিওজতৰ মাজৰপৰা তুমি তোমাৰ তেওঁক বিচাৰি উলিয়াই লোৱা।" এই বুলি কৈ, এই ভূতটো অলপ আঁতৰত একাষৰীয় হৈ থিয়া হৈ থাকিল।

তাৰ পাছত এটাকৈ ভূত ৰণ্‌জিতাৰ ওচৰলৈ আহিল, আৰু হাতৰ তলুৱা দেখুৱালে। হাতৰ তলুৱাত এটি কণমানি চৰাই আঁকা আছিল। কিবাকিবি লিখাও আছিল। দ্বিতীয়টোৰ হাতৰ তলুৱাতো সেই একেই বিধৰ আঁকা আৰু লিখা আছিল। তৃতীয়টোৰ হাততো।

সে সেকৈ হাঁহি হাঁহি চতুৰ্থটোৱে ক'লে, "এতিয়া কোৱাঁ, তোমাৰ গিৰিয়েৰা কোন? চিনি পালানে সোণ?"

ৰণ্‌জিতাই হাঁহি মাৰি ক'লে, "যি কি নহওক—তোমালোক কিন্তু বৰ ভাল ভদ্ৰ আৰু ভয় নথকা ভূত। সেই বাবেইহে আমাক কোনো কষ্ট দিয়া নাই, কেৱল ধেমালি-ধুমুলাহে কৰিছা নিখুঁত! মোৰ তেওঁৰ হাতৰ তলুৱাত বেজীৰে খুঁচি খুঁচি আঁকা চৰাই আৰু লিখা আছিল, তোমালোকেও সেই একেইবোৰ কৰিব পাৰিছা। তথাপি—এটা ভুল তোমালোকৰো হ'ল।"

"কি নো!" একেলগে তিনিওটা ভূতে কৈ উঠিল।

"মোৰ তেওঁৰ হাতৰ তলুৱাত থকা লিখা-খিনিত এটা ঁ দিয়া আছে। এই চন্দ্ৰ-বিন্দুটো তোমালোকে দিবলৈ পাহৰিলা!"

"সেই চন্দ্ৰবিন্দু দেখোন স্বৰ্গৰ দেৱতাৰ নামৰ আগত দিয়ে! আমাৰ আকৌ সেইবোৰ একেবাৰে নচলে।" এই বুলি কৈ ভূত তিনিটা নিমিষতে উধাও হৈ গ'ল।

আৰু ঘৈণীয়েকৰ এই উপস্থিত বুদ্ধিৰ শলাগ লৈ ৰণ্‌জিতাৰ হাতত ধৰি ৰণজয়ো গাঁৱলৈ বুলি আগ বাঢ়ি গ'ল।





কৃষ্ণাৱতাৰ

১৪

শৃগাল বসুদেৱৰ বিৰুদ্ধে যিখন যুদ্ধ হ'ব, সেই যুদ্ধত কৃষ্ণক সহায় কৰিবলৈ তথা ঐক্যবদ্ধ হৈ ৰণ দিবলৈ কৃষ্ণই ৰাখোৱাল-হঁতলৈ আবেদন জনালে কৰবীপুৰবাসীৰা। কথাটো ৰাখোৱালহঁতক জনোৱাৰ দৰে শৃগাল বাসুদেৱকো কৃষ্ণই সেই কথাটো তৎক্ষণাৎ জনাই দিলে।

আৰু এই বাতৰি পায়েই ৰজা বাসুদেৱ ক্ৰোধতে অগ্নিহেন হৈ উঠিল। কৃষ্ণক নিচেই সামান্য জ্ঞান কৰি, কৃষ্ণলৈ তুচ্ছতা প্ৰদৰ্শন কৰি, প্ৰবল-পৰাক্ৰমী ৰজা বাসু-দেৱে এনেহেন ফুল-কোমল নিচেই নগণ্য ধানমান লৰা এটাৰ বিৰুদ্ধে ৰণ দিয়াৰ বাবে কোনো বিধৰ প্ৰস্তুতিকে নল'লে।

বহুকালৰ আগতে সূৰ্য্যদেৱে বাসুদেৱৰ শৌৰ্য্যাক শলাগি, তুষ্ট হৈ যিবোৰ অস্ত্ৰ প্ৰদান কৰিছিল, সেই অমোঘ ধনু-কাঁড় আৰু খড়্গপাট হাতত লৈ কৃষ্ণনো কিমানৰ কি চাবলৈ ৰজা বাসুদেৱ অকলেই ওলাল। সৈন্যহঁতো লগ ল'ব খুজিছিল, কিন্তু তেওঁৰ সৈন্যহঁতক নিষেধ কৰিলে।

খণ্ডতে ৰঙা পৰা যমহেন বাসুদেৱক দেখি কৃষ্ণ আৰু বলৰাম চমিকি চমকি উঠিল। দমঘোষে কৃষ্ণক শৃগাল বাসুদেৱৰ বিৰুদ্ধে উৎসাহিত কৰিলে। আৰু দম-ঘোষৰ উত্তেজক কথাত উত্তেজিত হৈ তৎমুহূৰ্ত্ততে ৰথত আৰোহণ কৰি কৃষ্ণ আগুৱাই গ'ল শৃগাল বাসুদেৱৰ পিনে।

'শৃগাল বাসুদেৱৰ কাহিনী'

চাওঁতে চাওঁতে কৃষ্ণ আৰু বাসুদেৱৰ মাজত যুদ্ধৰ দামামা বাজি উঠিল। ৰজা বাসুদেৱে নিক্ষেপ কৰা চোকাতকৈয়ো চোকা কাঁড়বিলাক কৃষ্ণই শূন্যতে খণ্ড-বিখণ্ড কৰি পেলাইছিল। ৰজা বাসুদেৱৰ ৰথৰ সাৰথিক কৃষ্ণই মাৰি পেলালে। তেতিয়া শৃগাল বাসুদেৱে নিজেই ৰথ চলাই থাকিল।

ৰজা শৃগাল বাসুদেৱে ৰথৰেপৰাই কৃষ্ণক ক'লে, "কিছুমান সৰুসুৰা ৰজাক যুদ্ধত পৰাজিত কৰি তোমাৰ সাহস আৰু অহংকাৰ অতি অধিক বাঢ়ি গৈছে। তুমি যিহঁতক পৰাজিত কৰিব পাৰিছা, সিহঁত ভীৰু মূৰ্খ ৰজা। কিন্তু মই অকলেই তোমাৰ বিৰুদ্ধে যুঁজিবলৈ আহিছোঁ। অৱশ্যে—তুমিও সৈন্যহীন। মনত ৰাখিবা, এয়া হ'ল ধৰ্মযুদ্ধ। মোৰ মতে—জগতত দুজন বাসুদেৱৰ অস্তিত্ব থকা উচিত নহয়। সেইহে, মই জীয়াই থাকিম বুলি স্থিৰ কৰি তোমাক বধ কৰাটোকে মোৰ পৱিত্ৰ কৰ্তব্যকৰ্ম বুলি স্থিৰ কৰিছোঁ।"

কৃষ্ণই ৰজাই বাসুদেৱক অতি অৱজ্ঞাৰে সৈতে ক'লে, "ঠিক আছে, যুদ্ধ কৰি চোৱা—যুদ্ধত কিমান মজা চাবা।"

শৃগাল বাসুদেৱ এইবাৰ কৃষ্ণৰ ওপৰত অতিপাত ক্ৰুদ্ধ হৈ উঠিল। তেওঁ তীৰ, খড়্গ, চক্ৰ, কুঠাৰ, জোঙামুখীয়া পাথৰ আদি ইটোৰ পাছত আনটোকৈ ছেদভেদ নোহোৱাকৈ দলিয়াই আকাশখনকে যেনিবা নেদেখা কৰি তুলিব খুজিলে।

কৃষ্ণই মিচিকীয়াই হাঁহি মাৰি ক'লে, "ইমানকণেইনে তোমাৰ ক্ষমতা? তেনে-হ'লে—এইবাৰ মোৰখিনিও চোৱা।" এই বুলি কৈয়েই, কৃষ্ণই পলকতে এটি চক্ৰ শৃগাল বাসুদেৱলৈ দলিয়াই পঠালে। আৰু সেই চক্ৰই চকুৰ পচাৰ নোপৰোঁতেই বাসুদেৱক ছটুকুৰা কৰি পুনৰ তাৰ গৰাকী কৃষ্ণৰ হাতলৈ ঘূৰি আহিল।

শৃগাল বাসুদেৱ ৰণত পৰিল, এই

কথা বায়ুবেগে চতুর্দিশে বিয়পি গ'ল। বাসুদেৱৰ পত্নীহঁতে স্বামীৰ মৃতদেহক সাৱটি ধৰি কান্দি থাকিল। সিহঁতৰ বুকু ভুৱাবৰ ঠাই নোহোৱা হ'ল। বাসুদেৱৰ পাটৰাণীয়ে নিজৰ পুত্ৰক কৃষ্ণৰ চৰণত শোৱাই থ'লে। বাসুদেৱৰ এইটি পুত্ৰৰ নাম আছিল শুক্ৰদেৱ।

শৃগাল বাসুদেৱৰ পাটমাদৈক সান্ত্বনা প্ৰদান কৰাৰ অন্তত কৃষ্ণই তাত উপস্থিত লোকসকললৈ চালে। তাত তেতিয়া ৰজা বাসুদেৱৰ মহামন্ত্ৰী, সামন্ত ৰজাসকল, পুৰোহিতবৰ্গ আৰু বিশিষ্ট নাগৰিকবৃন্দ বৈ আছিল। তেওঁলোকৰ উপস্থিতিতে কৃষ্ণই বাসুদেৱ-পুত্ৰ শুক্ৰদেৱক সিংহাসনত মহাসমাৰোহৰে সেতে অধিষ্ঠিত কৰিলে।

তাৰ পাছত একেৰাহে পাঁচদিন ধৰি গৈ গৈ, ছদিনৰ দিনা কৃষ্ণ-বলৰাম মথুৰা পালেগৈ। কৃষ্ণই মথুৰা নগৰীত অভূতপূৰ্ব অভিনন্দন লাভ কৰিলে।

*

ইপিনে — কৃষ্ণৰ হাতত বেয়াকৈ পৰাজিত জৰাসন্ধ অপমানৰ জ্বালাৰে জৰ্জৰিত। তেওঁ ইমানবোৰ বিখ্যাত ৰজাক লগত লৈয়ো এটা বুঢ়া আঙুলিহেন বালকৰ ওচৰত একেবাৰে নগুৰ-নাগতি হ'ল ! মনৰ এনে অৱস্থাত, ভালেমান ৰজাক মতাই অনাই সমৱেত কৰি জৰাসন্ধই ক'লে, "দেৱতাসকল পাপী হ'ল। দেৱতা-



সকলৰ মাজতো পক্ষপাতিতা পৰিলক্ষিত হৈছে। তেওঁলোকে—এতিয়া আমালৈ আৰু কৃপাদৃষ্টিৰে দৃষ্টিপাত নকৰা হ'ল। তেওঁলোকৰ কৃপাদৃষ্টি এতিয়া ৰাখোৱাল-মখাৰ ওপৰতহে বৰষিছে। ৰাখোৱাল-মখাৰ মাজতে দেৱতাসকলে এতিয়া নিজৰ স্বাৰ্থ বিচাৰি পোৱা হৈছে। নহ'লে—আমাৰ ইমান বিপুল সংখ্যক সৈন্য-সামন্ত থকা সত্বেও এটা নগণ্য বালকৰ হাতত পৰাজিত হওঁনে? সেই কৃষ্ণ বোলা বিহপুলিটোক বধ কৰিবলৈনো কিমানকণ শক্তি লাগে? কিন্তু — স্বাৰ্থলোভী দেৱতাসকলৰ পক্ষ-পাতিতাইহে আমাৰ সকলো ধৰণৰ হিচাপ একেবাৰে ওলট-পালট কৰি দিলে।”

জৰাসন্ধৰ এই কথাত সকলো একমন-একমত হ'ল। সকলোৱেই হয় হয় কৰিলে। এই সমাৱেশত জৰাসন্ধৰ কিছুমান আত্মীয় স্বজন, বন্ধু-বান্ধৱ, পৌণ্ড্ৰ, কলিংগ, দন্ত, বক্ৰ, শিশুপাল, সাল্য, ৰুক্মি, গান্ধাৰ, ত্ৰিগৰ্ত, ভগদত্ত আৰু আন বহুতো তাত আছিল। এওঁলোকৰ প্ৰতিজনেই কৃষ্ণ-বিদ্বেষী। অঙ্গ, বঙ্গ, বিধেয়, কাশ, কৰুশ, মদ্ৰ, পাণ্ড্য আদি দেশৰ ৰাজন্যবৰ্গই জৰাসন্ধৰ হৈ, কৃষ্ণৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ সাজু হৈ আছিল। আৰু সেয়েহে, আৰু একৈছ অক্ষৌহিণী সৈন্য — জৰাসন্ধই লভিলে। বিৰাট বিশাল সৈন্যবাহিনীৰে সৈতে জৰাসন্ধৰ মথুৰালৈ বুলি ৰাওনা কৰিলে। জৰাসন্ধৰ সৈন্যইঁতে সমগ্ৰ মথুৰা নগৰীখনক চাৰিওফালৰপৰা আগুৰি ধৰিলে আৰু য'ত যি পালে চাহি-মুহি তহিলং কৰি তৰ্ণাস্তি কৰি থাকিল।

এই বাৰ্তা পাই, কৃষ্ণ আৰু তেওঁৰ লগৰীয়াসকল এডোখৰ ওখ ঠাইত উঠিলেগৈ। ওখ ঠাইত থিয় হৈ জৰাসন্ধৰ সৈন্যবাহিনীৰ কাণ্ডাকাণ্ডলৈ চাই কৃষ্ণ অবাক হ'ল। ইমান বিশাল সৈন্যবাহিনীও হয়নে? ই কোনো বাহিনী নহয়, যেনিবা জনসমুদ্ৰহে!

আৰু অতঃপৰ কৃষ্ণই এই বিশাল বাহিনীৰ বিৰুদ্ধে ৰণ দিবলৈ সিদ্ধান্ত ল'লে।

জৰাসন্ধই তেওঁৰ বাহিনীৰ সেনাপতিসকলক ৰণ-কৌশলৰ কথা বুজাই ক'লে। তেওঁ ক'লে, "মথুৰাৰ প্ৰতিটো অট্টালিকাৰ দেৱালবোৰ এনেকৈ ফুটা কৰি দিবা—যাতে—যুদ্ধ চলি থকাকালত সেইবোৰ সম্পূৰ্ণ ধুলিসাৎ হয়। মথুৰাৰ এটা অট্টালিকাও চূৰ্ণ-বিচূৰ্ণ নোহোৱাকৈ নাথাকে যেন।"

আগতে জৰাসন্ধৰ নাম শুনিলেও—যুদ্ধ কৰা দূৰৰে কথা ৰাখোৱাল-গুৱালইঁতৰ বুকুত ঢেঁকীয়ে ৰনা দি বানিছিল। কিন্তু—এইবাৰ সিহঁতৰ লগত স্বয়ং কৃষ্ণ থকাৰ কাৰণে সিহঁতো সাহসী হৈ উঠিল।

যুদ্ধৰ নিৰ্দিষ্ট দিনত ৰাখোৱাল-গুৱালইঁতে দা-কুঠাৰ, যাঠি-জোং, ধনু-কাঁড় – যিয়ে যি পালে, হাতত লৈ কৃষ্ণৰ সৈতে যুদ্ধক্ষেত্ৰলৈ ধাবলৈ সাজু হ'ল।

কৃষ্ণ-বলৰাম যেতিয়া জৰাসন্ধৰ সমুখত থিয় দিলেগৈ, তেতিয়া জৰাসন্ধই কৃষ্ণৰ কাষতে থিয় হৈ থকা উগ্ৰসেনক ক'লে, "ভোজ বংশৰ কোনোবা ৰজা হ'ব—আৰু গুৱাল-ৰাখোৱালইঁতে ভোজ বংশীঃসকলৰ আলপৈচান ধৰিব, আলধৰা হ'ব, এয়ে হ'ল প্ৰত্যাশিত কথা। কিন্তু যতমানে অপ্ৰত্যাশিত কাণ্ড-কাৰ্ষনাবোৰ ইয়াত চলি আছে। ইমান ডাঙৰ ভোজ বংশত জনমিও

তুমি তোমাৰ মৰ্য্যাদা ৰক্ষা কৰিব নোৱাৰিলা। জগতত তোমাৰমান মুখ আন এটাও নোলাব। এই কৃষ্ণই তোমাৰ পুত্ৰক হত্যা কৰি তোমাক সিংহাসনত অধিষ্ঠিত কৰিলে, তুমি সেই ৰঙৰ কিলতে গুকুলা-গুকুল হৈ আছা। তুমি—ইমান ডাঙৰ বংশৰ বংশধৰ তথা প্ৰবীণ অভিজ্ঞ হৈও এটা গুৱালৰ পো-ৰ কথাত উঠা-বহা কৰিছা। লাজ নালাগেনে তোমাৰ? তোমাক মই ৰজা বুলি কদাপি নকওঁ। কৃষ্ণৰ দাস বুলিহে ক'ম।"

জৰাসন্ধৰ কথাৰ উত্তৰত উগ্ৰসেনে একো ক'বলৈ নৌ পাওঁতেই কৃষ্ণই কৈ উঠিল, "শুনা, উগ্ৰসেনৰ যথেষ্ট পৌৰুষ তথা মান-সন্মান আছে। তোমাৰ কিন্তু পৌৰুষ বোলা পদাৰ্থয়েই নাই। এয়া সিদিনাৰহে কথা, মোৰ হাতত তুমি বেয়াকৈ পৰাজিত হৈছিলা। যোৱাবাৰ পলাই সাৰিছিলা। এইবাৰ কিন্তু পলাবৰ সুৰুঙা নিবিচাৰিবা।"

আৰু এই বুলি কোৱাৰ লগে লগেই কৃষ্ণই জৰাসন্ধক আৰু তেওঁৰ ৰথৰ সাৰথিকো তীৰেৰে থকা-সৰকা কৰিলে। আৰু — চাওঁতে চাওঁতে জৰাসন্ধৰ ৰথ সশৰদে ভাগি খণ্ড-বিখণ্ড হৈ পৰিল।

হঠাৎ জৰাসন্ধই বলৰামৰ ওপৰত জঁপিয়াই পৰিল। জৰাসন্ধই বলৰামৰ ৰথখন চূৰ্ণ-বিচূৰ্ণ কৰি পেলালে। বলৰামেও জৰাসন্ধৰ ৰথ গুড়ি কৰি পেলালে। তাৰ পাছত দুয়োৰো মাজত গদা-যুদ্ধ লাগি পৰিল আৰু শ্ৰান্ত-ক্লান্ত-অৱসাদযুক্ত হৈ এসময়ত দুয়ো বাধ্যত পৰি—ৰ'ল।

এইদৰে, জৰাসন্ধৰ আৰু কৃষ্ণৰ মাজত বহুদিন ধৰি যুদ্ধ চলি থাকিল। যিমান টিলিকতে জৰাসন্ধই কৃষ্ণৰ বিৰুদ্ধে বিজয়ী হ'ব বুলি ভাবিছিল, সেইমতে একো নহ'ল।

জৰাসন্ধই ভাবিলে: দেৱতাসকল মোৰ বিৰুদ্ধে গ'ল, আৰু সেইদেখিহে: মোৰ পক্ষে বিজয়ী হোৱা সম্ভৱ নহয়।

Sankar

আৰু এই কথা ভাবি, অৱশেষত জৰাসন্ধই তেওঁৰ সৈন্যবাহিনীক হোঁহকাই লৈ পুনৰ মগধলৈ উলটি গ'ল।

উলটি গ'ল, কিন্তু কৃষ্ণ নামৰ এই গুৱালৰ ল'ৰাটোক ভালকৈ এশিকনি দিবলৈ আশা নেৰিলে।

এইদৰে, এবাৰ-দুবাৰ নহয়, ওঠৰ বাৰলৈ জৰাসন্ধই মথুৰা আক্ৰমণ কৰিছিল। কিন্তু কৃষ্ণক বধ কৰা একোপধ্যে সম্ভৱ নহ'ল।

আৰু কৃষ্ণয়ো জৰাসন্ধক বধ কৰিব নোৱাৰিলে। কিয়নো, জৰাসন্ধৰ মৃত্যু হ'ব আনৰ হাতত।

এদিন বলৰামে কৃষ্ণক ক'লে, "ব'লা, আমি গোকুললৈ যাওঁ।" কৃষ্ণই বলৰামক যাবলৈ ক'লে গোকুললৈ। বলৰামে গোকুললৈ যাওঁতে অৰণ্যলৈ যাব বুলি ভাবি আৰণ্যক সাজপোছাক-পিন্ধি ল'লে।

বলৰাম অৰণ্যলৈ গ'ল। বলৰামক পাই আৰণ্যকসকল আনন্দিত হ'ল। বহুতেই বলৰামক প্ৰণাম কৰিলে, বলৰামেও আৰণ্যক বৃদ্ধসকলক প্ৰণাম কৰিলে।

বৃদ্ধ আৰণ্যকসকলে বলৰামক ক'লে, "বোপা, তোমাক তোমাৰ মাজত পাই আমি বৰ ভাল পাইছোঁ। তোমালোক দুয়োজনে মিলি জগতৰ বহু দুষ্টক দমন কৰিলা। কংসৰ দৰে অত্যাচাৰীক বধ কৰি—পৃথিৱীৰ মানুহখিনিক তোমালোকে ৰক্ষা কৰিলা। শৃগাল বাসুদেৱক বধ কৰাৰ কৰাৰ ফলত তোমালোকৰ নাম দশো-দিশে বৈ বৈ গ'ল; ইমান খ্যাতিমান হৈও যে আমাৰ মাজলৈ আহিলা, তাৰ বাবে আমি নথৈ আনন্দ পাইছোঁ।"

"আপোনালোকে আমাৰ এই ধৰ্মযুদ্ধ সমৰ্থন কৰিছিল বুলিয়েইহে আমি জয়ী হ'ব পাৰিছোঁ। কিন্তু মই, বা কৃষ্ণয়ো—আমি কোনেও ৰজা হ'বলৈ নিবিচাৰোঁ। কেৱল দুষ্টক দমন কৰালৈহে আমাৰ মন, আন একো নালাগে।" বলৰামে ক'লে।

জাদু-কথা

চিত্ৰসেন নামৰ এগৰাকী ৰজা আছিল। ৰজা চিত্ৰসেনৰ পত্নী ৰাণী চিত্ৰিতা আছিল ইন্দ্ৰজাল বা জাদুৰ বিষয়ত অতি আগ্ৰহী। এবাৰ ৰাণীৰ অনুৰোধত ৰজা চিত্ৰসেনে এক জাদু-প্ৰদৰ্শনীৰ ব্যৱস্থা কৰিছিল। কোৱা বাহুল্য যে—সেই প্ৰদৰ্শনীৰ প্ৰবেশ-মূল্য অত্যধিক হোৱা সত্বেও কিছুমানে প্ৰবেশপত্ৰ কিনিছিল।

ৰজাই জাদু-প্ৰদৰ্শনী পতা শুনি দেশৰ বিভিন্ন অঞ্চলৰপৰা প্ৰজাবৰ্গ ঢপলিয়াই আহিছিল এই অভিনৱ ৰাজকীয় জাদু-প্ৰদৰ্শনী চোৱাৰ মনেৰে।

জাদুকৰে বিচিত্ৰ বিচিত্ৰ জাদু-প্ৰদৰ্শন কৰিলে। এজনক জাদুকৰে শূন্যতে মানুহক খোজ কঢ়ালে. আন এজনে মানুহক বান্দৰলৈ ৰূপান্তৰিত কৰিলে কিন্তু বান্দৰেই মানুহৰ দৰে মাত-বোল কৰিলে। আন এজনৰ হতুৱা এনেহেন পৰিবেশৰ সৃষ্টি কৰিলে যে সেইজন মানুহে 'ভুঁইকঁপ ভুঁইকঁপ' বুলি চিঞৰ ধৰিলে। এনে ধৰণৰ অসংখ্য ঘটনাৰে সেই জাদুকৰে দৰ্শকৰ দৃষ্টি আকৰ্ষণ কৰিছিল।

এই জাদু-প্ৰদৰ্শনীত কেৱল এজন জাদুকৰেই নাছিল, ভালেকেইজনমান জাদুকৰ আছিল। একো একোজন জাদুকৰে একো একোটা বিচিত্ৰ খেলা প্ৰদৰ্শন কৰি দৰ্শকক বিস্মিত স্তম্ভিত কৰি তুলিছিল।

জাদুকৰসকলৰ মাজত এজনৰ নাম আছিল জালানন্দ। জাদুকৰ জালানন্দৰ জাদু চাই সকলো দৰ্শকেই জালানন্দক একমুখে শলাগিছিল।

জাদুকৰ জালানন্দই ৰজাক ক'লে, "মহাৰাজ, মোৰ জাদু চাই সমস্ত দৰ্শক তৃপ্ত; কিন্তু—আপুনি তৃপ্তি পোৱা নাই যেন লাগিছে। যি হওক, আপুনি যাতে তৃপ্তি পায়—তেনেকুৱা উপায় এটা—মই দিব কিজানি পাৰোঁৰেই।"

ৰজা চিত্ৰসেনে জিজ্ঞাসাৰ দৃষ্টিৰে জাদুকৰ জালানন্দলৈ চালে।

জালানন্দই ক'লে, "আমাৰ জাদুবিদ্যা যিকোনো মানুহে শিকিব পাৰে আৰু আমিও শিকাৰ বাবে আগ্ৰহীক শিকাই দিওঁ। আমি, যিসকল জাদুকৰ এই প্ৰদৰ্শনীলৈ আহিছোঁ, প্ৰতিজনেই এজনকৈ জাদুকৰৰ নাম লিখি দিব। যিজনৰ নাম অধিকসংখ্যক জাদুকৰে লিখিব, আপুনি সেইজনক ৰাজপ্ৰাসাদত আশ্ৰয় দিব আৰু তেওঁৰ ভাল-বেয়া সুখ-সুবিধালৈ লক্ষ্য ৰাখিব।"

জাদুকৰৰ এই প্ৰস্তাৱত ৰজা চিত্ৰসেন তুষ্ট মনেৰে সম্মত হ'ল।

তাৰ পাছত প্ৰতিজন জাদুকৰেই তেওঁৰ প্ৰিয় জাদুকৰজনৰ নাম ৰজাক লিখি জনালে। দেখা গ'ল—উপস্থিত জাদুকৰসকলৰ মাজত সৰ্বাধিক প্ৰিয় হ'ল জালানন্দ জাদুকৰ।

এই কথা, অৰ্থাৎ জালানন্দই বিজয়ী হোৱাৰ কথা ঘোষণা কৰাৰ অন্তত এজন জাদুকৰে ৰজাক ক'লে, "মহাৰাজ, এই ঘটনাৰ মাজত কিবা—অন্য ঘটনা থকা যেন পাওঁ। ময়ো জালানন্দৰ নামকে লিখিছোঁ; কিন্তু জাদুকৰ হিচাপে মই তেওঁতকৈ একোপধ্যে তল খাপৰ নহওঁ।"

অন্য জাদুকৰইঁতেও এই কথালৈ সমৰ্থন জ্ঞাপন কৰি ক'লে, "মহাৰাজ, তেওঁৰ কথাত আমিও একমত। কিজানি জালানন্দ জাদুকৰে আমাক সন্মোহিতকে কৰিলে। এই কথাৰ কিবা এটা চয়-নিচয় হোৱা আৱশ্যক মহাৰাজ!"

ৰজা চিত্ৰসেনে হাঁহি মাৰি ক'লে,

"তেনেহ'লে — সেয়া হ'ল সেই জাদুকৰ জালানন্দৰ কৃতিত্ব।"

তাৰ পাছত ৰজা চিত্ৰসেনে জাদুকৰ জালানন্দক সহস্ৰ মুদ্ৰা উপহাৰ প্ৰদান কৰি কলে, "তুমি যে জাদু দেখুৱালা—তাতোকৈ ভাল জাদু আন কোনোবা জাদুকৰে দেখুৱাব পাৰিবনে ? তোমাতকৈ ডাঙৰ কোনোবা আছেনে ?"

"নিশ্চয় আছে, মহাৰাজ। মোৰ পৰিবাৰেই হ'ল মোতোকৈ ডাঙৰ জাদুকৰ। তেওঁৰ ৰূপ-গুণত ভোল গৈ মই তেওঁৰ অ ঠুৱাৰ তলৰ মহটি হৈ আছোঁ। তেওঁৰ পৰামৰ্শতে মই জাদুবিদ্যা শিকিছিলোঁ, প্ৰদৰ্শন কৰিছিলোঁ।" জালানন্দ জাদুকৰে মহাৰাজ চিত্ৰসেনক ক'লে।

মহাৰাজ চিত্ৰসেনে ক'লে, "চোৱা, তোমাৰ জাদুৰ চমক তাৎক্ষণিক ; কিন্তু বাস্তৱিকতেই চমকপ্ৰদ।"

জালানন্দই ক'লে, "মহাৰাজ, জাদুৰ ক্ষন্তেকীয়া সৌন্দৰ্য্যৰ ভ্ৰম মানুহৰ মনত যুগ যুগ ধৰি জীয়াই থাকে। পৃথিৱীত যে কোনটো শাশ্বত আৰু কোনটো যে তাৎক্ষণিক—সেই কথাৰ উমান লোৱা উজু নহয়। সকলো ঈশ্বৰ-সৃষ্ট মায়া। পিছে—দহ বছৰৰ পাছতো মোৰ পৰিবাৰৰ সৌন্দৰ্য্য একেদৰেই অটুট থাকিবনে ?"

ৰজা চিত্ৰসেনে জাদুকৰ জালানন্দক আৰু সহস্ৰমুদ্ৰা দিলে আৰু ক'লে, "তুমি মোৰ মনৰ ভ্ৰান্ত ধাৰণা আঁতৰ কৰিলা। মই মোৰ পত্নীৰ সৌন্দৰ্য্যমুগ্ধ হৈ আনন্দৰ সাগৰত ডুবি আছিলোঁ।"

এই ঘটনাৰ পাছৰপৰা ৰজাই সদায় আমোদ-প্ৰমোদবোৰৰ আয়োজন-অনুষ্ঠান নকৰাকৈ প্ৰজাৰ মংগলৰ পিনে দৃষ্টি দিলে। জাদুকৰ জালানন্দই তেওঁৰ মনত এই পৰিৱৰ্তন আনি দিয়াৰ বাবে তেওঁ জালানন্দলৈ অপাৰ কৃতজ্ঞতা প্ৰকাশ কৰিলে আৰু পুৰস্কৃত কৰিলে।

সাহস যাৰ জগত তাৰ

সুপ্ৰাচীনকালত দণ্ডকাৰণ্যত যোগানন্দ নামেৰে এগৰাকী সিদ্ধপুৰুষ আছিল। গোদাৱৰী নৈৰ তীৰত তেওঁ আশ্ৰম পাতিছিল। যোগবিদ্যা অধ্যয়নৰ বাবে দেশৰ বিভিন্ন প্ৰান্তৰপৰা যোগানন্দৰ ওচৰলৈ ছাত্ৰ-শিষ্য আহিছিল। যোগানন্দই যোগৰ যোগেদি বহু বিধৰ বেমাৰ-আজাৰো ভাল কৰিছিল।

কিন্তু সিদ্ধপুৰুষ যোগানন্দই যাকে-তাকে যোগবিদ্যা নিশিকাইছিল, বাছনিত কৃতকাৰ্য্য হ'লেহে প্ৰাৰ্থীসকলক শিষ্য হিচাপে গ্ৰহণ কৰিছিল।

যোগানন্দই মাজে-মধ্যে আশ্ৰম এৰি অৰণ্যলৈ গৈ তেওঁৰ পুৰণি শিষ্যসকলৰ সৈতে দেখা-সাক্ষাৎ কৰিছিলগৈ। শিষ্য-সকলে কি কৰে-নকৰে, শিষ্যসকলৰ মাজত কোনোবাই নতুনকৈ কিবা যোগৰ যোগাযোগ কৰেনে কি, এইবোৰলৈ যোগানন্দৰ আগ্ৰহ আছিল অতি প্ৰবল।

ধীৰসিংহ নামৰ ক্ষত্ৰিয় যুৱক এজন যোগানন্দৰ কাষ চাপিল তেওঁৰ শিষ্য হ'বলৈ। বয়সত সৰু, কিন্তু ধীৰসিংহই তিমানতে বহু সংখ্যক যুদ্ধত অংশগ্ৰহণ কৰিছিল। আৰু তাৰ ফলত তাৰ অভিজ্ঞতাও হৈছিল বিভিন্ন আৰু প্ৰচুৰ। যোগানন্দৰ ওচৰত এবছৰ শিক্ষাগ্ৰহণৰ অন্তত ধীৰসিংহই এটি সৰোবৰৰ পাৰত এখন পৰ্ণ-কুটীৰ অৰ্থাৎ টোকোৰা পঁজা নিৰ্মাণ কৰিলে।

এই টোকোৰা পঁজাৰ অদূৰতে এজোপা বৰগছ আছিল। বৰগছজোপা আছিল তিনিশ হালিচামান মাটিত বিয়পা এক

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'

অতি বিৰাট-বিয়াগোম বৃক্ষ।

যোগানন্দ যিদিনা এই সৰোবৰৰ পাৰলৈ গ'ল, সিদিনা শিষ্যহঁতক ক'লে, "বহু প্ৰাচীন দিনৰেপৰাই এই বৰগছজোপা ইয়াত আছে। এই গছজোপাৰ তলত ত্ৰেতাযুগৰ ভূত-প্ৰেতো নথকা নহয়। সিহঁতৰ কথা মই পাছত বিস্তাৰিত ক'ম। আজিৰ এই ৰাতিছোৱা তোমালোক মোৰ ওচৰতে থাকিবা, গছৰ তললৈ কোনো নাযাবা। এয়া মোৰ নিৰ্দেশ। মোৰ এই নিৰ্দেশ মনে-চিতে মান্য কৰিবা।"

ৰাতি খোৱা-বোৱাৰ অন্তত সকলো শিষ্যই গুৰুৰ ওচৰত শুই থাকিল। আন সকলোটিৰ সৈতে ধীৰসিংহো তাতে শুইছিল আৰু টোপনি মাৰিছিল। কিন্তু —অলপ পাছত হঠাৎ ধীৰসিংহই সাৰ পালে। তাৰ পাছত—বহু চেষ্টাতো তাৰ চকুত আৰু টোপনি নহা হ'ল। হঠাৎ ধীৰসিংহৰ মনত গুৰু যোগানন্দৰ কথাখিনিয়ে কৌতূহলৰ ঢৌ তুলিলে। আৰু মনৰ কৌতূহলৰ নিবৃত্তিৰবাবে ধীৰসিংহই সেই বৰজোপালৈ চাই পঠালে।

ধীৰসিংহ মুঠেই ভয়-পাতুৰা নাছিল, বৰঞ্চ সি বেছ সাহসী আছিল। পাছদিনা, গুৰু যোগানন্দই এই গছজোপাৰ তলত থকা ভূত-প্ৰেতহঁতৰ সম্পৰ্কে বিস্তাৰিত ক'ব বুলি কৈছিল যদিও, তথাপি, সেই ভূত-প্ৰেতবিলাকৰ সম্পৰ্কে এতিয়াই খৰচি মাৰি জানি ল'বলৈ ধীৰসিংহৰ মনত অপাৰ আগ্ৰহৰ সৃষ্টি হ'ল।

শোৱাৰপৰা কোনেও গম নোপোৱাকৈ উঠি, সেই বৰজোপাৰ তলেদি গৈ থাকোঁতেই সেই বৰজোপাৰ ডালৰপৰা দেখাত বগাক ভূত এটা কিবা নামি অহা যেন পালে। ধীৰসিংহই অলপো ভয় নকৰি তাত ৰ'ল আৰু সেই বগাভূতটোক সুধিলে, "তুমিনো কোনহে?"

"মোৰ নাম অনুকম্প। এই অৰণ্যত সীতাদেৱী আছে বুলি ময়েই লঙ্কেশ্বৰ



ৰাৱণক পোন প্ৰথমে জনাইছিলোঁগৈ। মোৰ কথাতে ৰাৱণ এইখন বিশাল দণ্ডকাৰণ্যলৈ আহিছিল।' বগাভূত অনুকম্পই ধীৰসিংহক ক'লে।

"তুমি এতিয়াও ইয়াত আছা যে—? কি কৰিছা ইয়াত?" ধীৰসিংহই বগাভূত অনুকম্পক সুধিলে।

"মই অধিকভাগ সময়ত নৰকতে থাকোঁ। মাজে-মধ্যেহে ইয়াত থাকোঁহি।" এই বুলি কোৱাৰ লগে লগে অনুকম্পই লাহে লাহে এখোজ-দুখোজকৈ ধীৰসিংহৰ পিনে আগুৱাই গৈ থাকিল।

"নৰকত তোমাৰ মিতিৰ-কুটুম্বইঁত কেনে আছে?" ধীৰসিংহই সাহসেৰে সেইতে বগাভূত অনুকম্পক সুধিলে। বগাভূত অনুকম্পই এডেও-দুডেওকৈ তেওঁৰ পিনে আগুৱাই অহালৈ ধীৰসিংহই কিন্তু মন নকৰাকৈ নাছিল।

"সিহঁতে তাত নৰক-যাতনা ভুগি আছে!" অনুকম্পই ক'লে।

"কোনেনো আটাইতকৈ বেছি নৰক-যাতনা ভুগিছে?" ধীৰসিংহই পুনৰ সেই বগাভূতক সুধিলে।

"ৰাৱণে।" অনুকম্পই ক'লে।

"ৰাৱণক বাৰু কেনেকুৱা শাস্তি দিয়া হৈছে?" ধীৰসিংই অদম্য কৌতূহলেৰে বগাভূতটোক সুধিলে।

"ৰাৱণক তপত তেলত থোৱা হৈছে।" বগাভূতটোৱে ক'লে।

"তেনেহ'লে—উতলি থকা তেলত পেলাইহে ৰাৱণক কষ্ট দিয়া হৈছে?" ধীৰসিংহই ধীৰভাৱে সুধিলে।

"কষ্টৰো কষ্ট দিয়া হৈছে। ৰাৱণক তিলে তিলে কষ্ট দিয়া হৈছে। ইয়াকে বোলে নৰক-যাতনা।" অনুকম্পই ক'লে. "কুম্ভকৰ্ণয়ো বৰ জীয়াতু ভুগি আছে। সি সদা-সৰ্বক্ষণেই আৰ্তনাদ কৰি আছে। আৰু তাৰ বিকট আৰ্তনাদ ফলত অন্যান্যৰো মনত প্ৰচণ্ড ভয় তথা অবৰ্ণনীয় কষ্ট হৈছে।"

"কুম্ভকৰ্ণক কেনেকুৱা দণ্ড দিয়া হৈছেনো?" ধীৰসিংহই সুধিলে।

"তাক প্ৰকাণ্ড জুই একুৰাৰ মাজত থিয় কৰাই থোৱা হৈছে। অলপ অলপকৈ পুৰিব, আৰু চিহড়ি চিহড়ি নৰক ফালিব।"

"বাপ্‌ৰে বাপ! তেনেহ'লে—কুম্ভকৰ্ণৰ চিঞৰত নৰক কম্পমান! কি কোৱা?"

"শুনাৰ মন আছেনে কুম্ভকৰ্ণৰ চিহড়? শুনা তেন্তে।" এইবুলি কৈ অনুকম্পই কুম্ভকৰ্ণৰ দৰে চিঞৰি উঠিল।

"তোমাৰ চিঞৰ—যেনিবা একেলগে হেজাৰ ঘোড়াৰ মৰণ-চিঞৰ। কিন্তু—কোৱাচোন — কুম্ভকৰ্ণৰ চিঞৰ ইমানেই কমনে?" ধীৰসিংহই সুধিলে।

"তেনেহ'লে—এইবাৰ শুনা!" এই বুলি কৈ, বগাভূত অনুকম্পই যিটি কাণ-তাল-মৰা চিঞৰ মাৰিলে, তাক চিঞৰ নুবুলি আটাহহে বুলিব লাগে। এই চিঞৰ শুনি ধীৰসিংহ মূৰ্ছৰ্কছ গ'ল।

আৰু ঠিক তেতিয়াই ধীৰসিংহক গিলি খাবলৈ অনুকম্প বেগতে আগুৱাই গ'ল। কিন্তু—ধীৰসিংহক গিলি খোৱাৰ আগ মুহূৰ্ততে ধীৰসিংহৰ গুৰু যোগানন্দ সেই বৰগছতল পালেহি। চকুৰ পচাৰতে নিজৰ কমণ্ডলুৰ পানী বগাভূত অনুকম্পৰ ওপৰত ছটিয়াই দিলে, আৰু লগে লগে সেই ঠাইৰ মাটিত প্ৰকাণ্ড ফাট মেলাত সেই ফাটৰ ভিতৰত অনুকম্প নিমিষতে নোহোৱা হ'ল।

ধীৰসিংহ অচেতন অৱস্থাত তাত পৰি আছিল। তাৰ চেতনা ঘূৰাই অনাৰ পাছত গুৰু যোগানন্দই তাক ক'লে, "চোৱা, বোপা, তোমাৰ এই সাহসৰ সঁচাকৈয়েই মই শলাগ লৈছোঁ। কালিৰে-পৰাই তুমি ধীৰানন্দ নামেৰে জগতত জনাজাত হ'বা।" ধীৰসিংহক এই বুলি কোৱাৰ অন্তত যোগানন্দই পুনৰ হাঁহি মাৰি ক'লে, "সাহস যাৰ, জগত তাৰ।"

পাণ্ডিত্যৰ পুজা

কোমলগিৰি ৰাজ্যৰ ৰাজসভাত ৰামশৰ্মা নামৰ এগৰাকী কবি আছিল। কবি-সাহিত্যিকসকললৈ ৰজা আছিল অতি শ্ৰদ্ধাশীল তথা সহানুভূতিশীল। তেওঁ কবিসকলৰ কবিতা শুনিছিল, কিন্তু তাৰ আলোচনা নকৰিছিল আৰু পাছত বৰ আগ্ৰহো প্ৰকাশ নকৰা হৈছিল। ৰজাৰ মতে কবিতা হ'ল আনন্দৰ উৎস। তেওঁৰ বিশ্বাস : মনৰ দুখ-শোক দমন কৰিহে কবিয়ে আনক আনন্দ প্ৰদান কৰে।

ৰজাই কবি ৰামশৰ্মাক শ্ৰদ্ধা কৰাৰ দৰে সমালোচকসকলকো শ্ৰদ্ধা কৰিছিল। কিন্তু ৰামশৰ্মাৰ মনত সমালোচকসকলৰ সম্পৰ্কে বিৰূপ ভাব আছিল।

এদিন ৰজাই ৰামশৰ্মাক ক'লে, "হে কবিবৰ, আপুনি গোবিন্দপুৰৰ জমিদাৰ ভুজঙ্গপ্ৰজাপতিৰ ওচৰলৈ যাওক। আপোনাৰ সাম্প্ৰতিক কালৰ কবিতা সম্পৰ্কে তেওঁৰ মতামত কি—সেই কথা তেওঁৰপৰা জানি আহি মোক কওকহি।"

ভুজঙ্গপ্ৰজাপতি ডাঙৰীয়াই ৰামশৰ্মাক ক'লে, "হে কবিবৰ! আপোনাৰ কাব্য মই পাঠ কৰিছোঁ। আপোনাৰ কাব্যৰ গভীৰতা আছে। কিন্তু আপোনাৰ সম্পূৰ্ণ কাব্য বুজাৰ সাধ্য মোৰ নাই। আৰু তাৰ ফলত—নুবুজাৰ আনন্দতহে ডুব গৈ থাকিব লাগে। আপুনি আৰু সৰল-সহজকৈ লিখিলেহে আমাৰ দৰে সাধাৰণ মানুহেও আপোনাৰ মহৎ সৃষ্টিৰ সোৱাদ অনায়াসে লভিব পাৰিব।"

ৰামশৰ্মাই ভুজঙ্গপ্ৰজাপতিয়ে কোৱা সেই কথাখিনি ৰজাক ক'লেহি।

যোগেশ্বৰ শৰ্মা

তেতিয়া ৰজাই ৰামশৰ্মাক ক'লে, "কবিবৰ! এইবাৰ আপুনি গংগা নগৰলৈ যাওক আৰু তাত থকা কুঁৰীয়া পণ্ডিতৰ মতামত জানি আহি মোক কওকহি।"

ৰামশৰ্মা গংগানগৰলৈ গ'ল আৰু কুঁৰীয়া পণ্ডিতৰপৰা তেওঁৰ কাব্যৰ বিষয়ে মতামত সোধাত পণ্ডিতে ক'লে, "হে কবি, আপোনাৰ কাব্যত শ্ৰেষ্ঠ সৃষ্টিৰ সম্ভাৱনা নথকা নহয়। কবি হিচাপে — আপুনি নিশ্চয়েই প্ৰতিভাৱান। আপোনাৰ কাব্যতো অৱশ্যে—ভুল নথকা নহয়, কিন্তু জোনতো কলংক থকাৰ দৰে, এই ভুল নিচেই নগণ্য।" এই বুলি মন্তব্য কৰাৰ অন্তত পণ্ডিতে ৰামশৰ্মাৰ কাব্যৰ বিস্তাৰিত আলোচনা কৰিলে।

পণ্ডিতৰ বক্তব্য ৰজাক কোৱাৰ পাছত ৰজাই কবি ৰামশৰ্মাক ক'লে, "এইবাৰ আপুনি আমাৰ নগৰৰ গৌৰীশাস্ত্ৰীৰ সৈতে সাক্ষাৎ কৰক, তেওঁৰ বক্তব্য কওকহি।"

গৌৰীশাস্ত্ৰীয়ে ৰামশৰ্মাক ক'লে, "হে কবিবৰ! আপোনাৰ কাব্যৰ সম্পৰ্কে মোৰ মতামত বিচাৰি মোক বিপদতহে পেলালে। এআষাৰত ক'বলৈ হ'লে— আপোনাৰ কাব্য অতি অপূৰ্ব। কিন্তু— আপোনাৰ কাব্য সহজ-সৰল নহয়, আৰু সকলোটিৰ বাবেও নহয়। তথাপি আপোনাৰ পণ্ডিত্যক নুই কৰিব নোৱাৰি।"

তাৰ পাছত কবি ৰামশৰ্মা নিজৰ ঘৰলৈ উভতি গ'ল আৰু নিজৰ কাব্য সম্পৰ্কে নিজেই বিভিন্নজনৰ মতামত ল'ব বুলি ভাবিলে। ভবা মতে কামও কৰিলে। বহুতকে লগ ধৰি সুধিলে। তাৰ ফলত কবি ৰামশৰ্মাৰ এই ধাৰণা হ'ল যে— পাণ্ডিত্যৰ পুঙডাল অলপ চুটি কৰি তেওঁ সৰ্বসাধাৰণৰ বোধগম্য ভাষাৰেহে কাব্য ৰচনা কৰা উচিত।

তেতিয়াহে ৰামশৰ্মাৰ মনৰপৰা সেই সমালোচকসকলৰ প্ৰতি বিৰূপতা গুচিল।



জলকীয়া

প্ৰাচীনকালত নানাজী নামৰ এটি ৰাজপুত বালক আছিল। সৰুতেই নানাজী পিতৃহীন হৈ পৰাত তাৰ জেঠাকেই তাক তুলি-তালি ডাঙৰ-দীঘল কৰিছিল?

ৰাজপুতৰ বালকহঁতক বালক বয়সৰে-পৰা যি বিদ্যা শিকোৱা হয়, নানাজীকো সেইবোৰ বিদ্যা শিকোৱা হ'ল। সি কিশোৰ বয়সত ভৰি দিয়াৰ লগে লগেই অশ্বাৰোহণ, বিভিন্ন অস্ত্ৰ চালনা শিকিলে।

এটা অশ্বক কোনেও সেও কৰিব নোৱাৰিছিল। কোনেও সেও কৰিব নোৱৰা অশ্বটোক নানাজীয়ে সেও কৰিলে। পাছত — এই অশ্বটোৰ পিঠিত উঠি নানাজীয়ে সকলোতে ঘূৰি ফুৰিবলৈ ধৰিলে। এই ঘোঁৰাটোৰ পিঠিত উঠি নানাজীয়ে তাৰ জেঠাদেৰেকৰ লগে লগে বিভিন্ন ঠাইলৈ গৈছিল। ইচ্ছামতে, অ'লৈ-ত'লৈ ঘূৰি ফুৰিছিল। কিন্তু আন কোনোবা উঠা-মাত্ৰেই ঘোঁৰাটোৱে তাৰ পিঠিৰপৰা তললৈ বগৰাই দিছিল।

এবাৰ—তৰোৱাল-বিক্ৰেতা এজনৰপৰা চোকা তৰোৱাল কিনিবলৈ নানাজীয়ে তৰোৱালৰ চোক পৰীক্ষা কৰি আছিল।

ঃ ল'ৰাটো প্ৰকৃততে গুণী ল'ৰা, তৰোৱালৰ ভাল-বেয়া বুজে ই। —নিজৰ মনতে এই কথা ভাবি এখন ভালৰো ভাল তৰোৱাল—তৰোৱালৰ বেপাৰীয়ে নানাজীক দিলে।

আৰু এই তৰোৱালখন দেখাৰ লগে লগেই নানাজীৰ চকুযুৰি উজ্জ্বল হৈ উঠিল। নানাজীয়ে আগ্ৰহ-উৎসাহেৰে ক'লে, "মই ঠিক এনেকুৱা এখনেই বিচাৰি আছিলোঁ।

এনেহেন তৰোৱাল এখন হাতত থকালৈকে মোক কোনেও পৰাজিত কৰিব নোৱাৰিব।"

নানাজীয়ে তাৰ জেঠাদেউৰাক এইপাট তৰোৱাল কিনি দিবলৈ ক'লে।

জেঠাদেৰেকে হাঁহি মাৰি ক'লে, "আমি জীয়াই থাকোঁতেও তোমাক তৰোৱাল লাগিছেনে ?"

আন এগৰাকী জেঠাকে ক'লে' "ইমান মস্ত তৰোৱালেৰে তোৰ কি হ'ব ? এইখন তই দেখোন দাঙিবই নোৱাৰিবি।"

"মই দিনে দিনে ডাঙৰ হৈ থকা নাই জানো ? মোৰখন তৰোৱাল ইমান যে চুটি — সেইখনেৰে একো কৰিব নোৱাৰি। কাকো মাৰিব-কাটিও নোৱাৰি।"

"কওঁ শুন, তৰোৱালখন মস্ত ডাঙৰ হ'লেই ৰণ জিকিব নোৱাৰি। আচল কথা হ'ল—তাগজ—সাহস—বুকুৰ বল। তৰোৱাল চুটি হ'লে অলপ বেছিকৈ শত্ৰুৰ ওচৰ চাপিব লাগে। সাহস থাকিলে চুটি তৰোৱালেৰেও শত্ৰুক হেলাৰঙে বধিব পাৰি।" তেওঁলোকে ক'লে।

তেওঁলোকৰ কথা শুনি, নিৰাশ হৈ, নানাজীয়ে বেপাৰীজনক সেই তৰোৱালখন ঘূৰাই দিলে।

কিছুদিনৰ পাছত—দেশত ডকাইতৰ অত্যাচাৰ অতিপাত বাঢ়িল। এইবোৰ ডকাইতে গৃহস্থসকলৰ ধন-সোণ গৰু-গাই-ম'হ-ছাগলীও লৈ গৈছিল। ৰজাই বহু



চেষ্টাতো ডকাইতবিলাকৰ এটাকো ধৰা পেলাব নোৱাৰিলে।

তেতিয়া নানাজীয়ে ভাবিলেঃ মই জীয়াই থাকোঁতেও ডকাইতবিলাকে এইবোৰ বিনা বাধাই কৰি থাকিবনে? মই হাত সাৰটি বহি থাকিলে আনকি জেঠাদেউহঁতৰো ছুৰ্ঘোৰ অপমান!

পাছদিনাই ৰাতিৰ পৰতে যেতিয়া ডকাইতবিলাকে লুট-পাট কৰি আছিল, তেতিয়া, নানাজীয়ে তাৰ সেই প্ৰিয় ঘোঁৰাটোৰ পিঠিত উঠি ডকাইতহঁতক খেদি গ'ল। তিমানতে ডকাইতবিলাক অৰণ্যৰ সোঁমাজ পাইছিলগৈ। নানাজীও অৰণ্যৰ গাঁৰলৈ গভীৰলৈ সোমাই গ'ল।

নানাজীক ডকাইত-চৰ্দাৰে উপেক্ষাৰে ক'লে. "হেই ল'ৰা. তইনো ধানমানটো হৈ বাঘ-ৰুকুৰাৰ দ'ৰে আমাৰ পিছ খেদি আহিছ কিয়? তোৰ ভয়-ডৰ নাইনে?"

নানাজীয়ে চৰ্দাৰৰ এই কথাৰ উত্তৰ নিদিয়াকৈ তৰোৱালেৰে চৰ্দাৰৰ মুণ্ডলৈ মাৰিলে ঘাপ। আৰু চৰ্দাৰে 'বাপ' বুলি কৈ, মুণ্ডটো যেনিবা কথমপি বচালে; কিন্তু তাৰ নাকডাল কটা গ'ল।

চৰ্দাৰে চিঞৰি চিঞৰি ক'লে, "এই বিহপুলিটোক কাটি ছোৰা ছোৰা কৰঁা।"

এনে গণ্ডগোলীয়া ঘটনা ঘটাৰ সময়ত ডকাইতবিলাকে লুট কৰি লৈ অহা গৰু বিলাক চেঁকুৰি পলাল। আৰু নানাজীয়েও বিজুলী গতিৰে ঘোঁৰা চেঁকুৰাই অৰণ্যৰপৰা ওলাই আহিল।

নানাজীক দেশৰ ৰাইজে নানাভাৱে আদৰ-অভ্যৰ্থনা কৰিলে। তাৰ জেঠাদেউহঁতে তাক ক'লে, "তই দেখাতহে সৰুটো, তাগজ আছে বৰৰদৰে বৰ। আৰু পলম নকৰি. তই এতিয়া ছুষ্টৰ দমন কৰ।"

"ঠিকেই কৈছা। মই হ'লোঁ জলকীয়া, সৰুটি হৈ ওলায়. নিচেই সামাইন বুলি ভাবি কামোৰ দিলেই এৰি পলায়।"


উড়ন্ত স্তন্যপায়ী প্ৰাণী
বাদুলি হ'ল জগতৰ একমাত্ৰ উড়ন্ত স্তন্যপায়ী প্ৰাণী !


কণীয়া-কথা !
অষ্ট্ৰেলিয়াৰ মাল্লি নামৰ কুকুৰাইতক কণী দিবলৈ ১৫ ফুটীয়া আহল-বহল ঠাই লাগে !

ডলফিছ-শ্বাৰ্ক
ডলফিছ হ'ল তিমি-জাতীয় সামুদ্ৰিক মাছ। কিন্তু এই বিলাকক ধৰা বৰ টান। ডলফিছক শ্বাৰ্কে [হাঙৰ] খেদি খেদি ধৰে আৰু মাৰে। পিছে—কেতিয়াবা ডলফিছে তাৰ নাকেৰে গঁতিয়াই হাঙৰবো নাকৰ ওপৰত ন হাত পানীহেন কৰি পেলায় !

ALL THAT STANDS BETWEEN DARKNESS AND HIM IS

YOUR SIGNATURE.

India. The land of diverse cultures. Rich, varied traditions. But, there are 11 million people who can't see the beauty and wonder of this land. They suffer from cataract. They live in a world that grows darker day by day. And 2 million are added to this number every year.

We, at LKS, take care of over 60,000 people's eyes every year. People of all communities, people from different walks of life. During 1987 alone we have operated on 2,400 cataract patients and have been able to make 70 villages cataract - free. But still a lot needs to be done. And you can help.

As little as Rs. 100 from you can enable us to perform a cataract operation and clear the darkness from someone's life.

Help us, to help them.

Lok Kalyan Samiti

A voluntary, non-political, non-profit, health and family welfare organisation.

Set your sights on the nearly blind. Give.

To

Mr. K.S. Gupta,
The General Secretary,
Lok Kalyan Samiti,
Sucheta Bhavan,
11-A, Vishnu Digambar Marg,
New Delhi-110 002.
India.

For Rs. 100 per cataract operation, I would like to sponsor:

*1 operation (Rs. 100)
*2 operations (Rs. 200)
*5 operations (Rs. 500)
*10 operations (Rs. 1000)

Payable *yearly *half yearly *quarterly *bi-monthly *monthly

I am enclosing herein a crossed cheque/demand draft in favour of "Lok Kalyan Samiti"
for Rs. ____________

Please send me details with photograph/s of the person/s I am sponsoring.

Name: ____________ Age: ____________

Address: ____________

Profession: ____________ Tele: ____________

Date of birth: Day ______ Month ______ Year ______ Marital Status ______

If married, date of marriage: Day ______ Month ______ Year ______

Income tax exemption under section 80G of the Income Tax Act.

LINTAS. LKS. 23

ফটো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ৫০ টকা

পুৰস্কৃত নাম ১৯৮৯ চনৰ ফেব্ৰুৱাৰি সংখ্যাত প্ৰকাশিত হ'ব

* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দ কেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। ১৯৮৮ চনৰ ডিচেম্বাৰ মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
* সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ৫০ টকা পুৰস্কাৰ দিয়া হ'ব।
* ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : **CHANDAMAMA PHOTO CAPTION COMPETETION. (ASSAMESE)**
POST BOX NO. 9116 CALCUTTA-700 016.

১৯৮৭ চনৰ অক্‌ট'বাৰ মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : ছালাম জনাওঁ সদায় আমি　　দ্বিতীয় ফটো : মহান বাপুৰ মোহন বানী

পুৰস্কাৰ প্ৰাপক : ৰেহানা ছুলতানা। এ এছ টি ছি, গুৱাহাটী-৮

[পুৰস্কাৰৰ ৫০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব]

চান্দমামা
ভাৰতত বছৰেকীয়া বৰঙণি ৩৬.০০ টকা মাথোন
তলৰ ঠিকনালৈ পঠাব লাগিব :
DOLTON AGENCIES, CHANDAMAMA BUILDINGS, VADAPALANI,
MADRAS-600 026
নাইবা
Chandamama Publications, Chandamama Buildings, Vadapalani, Madras-600 026.

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

অতিকে’ মৰমৰ এই উপহাৰ
দিয়েনে কি ভাবি চাওক
প্ৰকৃস্থৰা হৈ থকা আপোনাৰ
চেনেহৰজনে পাওক

চান্দমামা

তলত লিখা যিকোনো এটি ভাষাৰপৰা বাছি লওক
অসমীয়া, বাংলা, ইংলিছ, গুজৰাটি, হিন্দী, কন্নড়, মালায়ালম্,
মৰাঠী, ওড়িয়া, সংস্কৃত, তামিল আৰু তেলুগু
আৰু প্ৰবাসত থাকিও উমাল গৃহসুখৰ উম উপভোগ কৰিবলৈ দিয়ক

বছৰেকীয়া বৰঙণি :

অষ্ট্ৰেলিয়া, জাপান, মালয়েছিয়া আৰু শ্ৰীলংকালৈ

জাহাজ-যোগে ৭৫·০০ টকা * উৰা-জাহাজ যোগে ১৫০·০০ টকা

ফ্ৰান্স, ছিংগাপুৰ, ইংলেণ্ড, আমেৰিকা, পশ্চিম
জাৰ্মানি আৰু অন্যান্য দেশলৈ

জাহাজ-যোগে ৮১·০০ টকা * উৰা-জাহাজ যোগে ১৫০·০০ টকা

টকা-পইচা
চান্দমামা পাবলিকেশ্যনছে পোৱাকৈ
কেৱল ডিমাণ্ড ড্ৰাফট নাইবা মনিঅৰ্ডাৰ যোগে তলৰ ঠিকনালৈ পঠাব :

ছাৰ্কুলেশ্যন মেনেজাৰ
চান্দমামা পাবলিকেশ্যনছ
চান্দমামা বিল্ডিংছ
বড়াপালানি, মাদ্ৰাজ-৬০০ ০২৬

No share prices,
no political fortunes, yet...

"Over 40% of Heritage readers are professionals or executives, 61% from households with a professional / executive as the chief wage earner. Half hold a postgraduate degree or a professional diploma."

– from an IMRB survey conducted in Oct. 1986

It's an unusual magazine. It has a vision for today and tomorrow.
It features ancient cities and contemporary fiction, culture and scientific developments, instead of filmstar interviews and political gossip. And it has found a growing readership, an IMRB survey reveals. Professionals, executives and their families are reading The Heritage in depth – 40% from cover to cover, 42% more than half the magazine.
More than 80% of The Heritage readers are reading an issue more than once.
And over 90% are slowly building their own Heritage collection.
Isn't it time you discovered why?

CMP-2155

THE HERITAGE

So much in store, month after month.

nutrine
OLÉ
FRUITGUM
THE TASTE GOES
BOOM
IN YOUR MOUTH!
Pop'em. Chew'em. Love'em! In four funtastic real fruit flavours: Strawberry. Watermelon. Orange. Lemon. Crunch into that juicy soft centre. And feel the flavour hit you!